গোট-৩
অধ্যায়-৮

# নির্মাণ শিল্প
# (Manufacturing in Industries)

আমাৰ প্ৰয়োজন সাপেক্ষে দৈনন্দিন বিভিন্নধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰি থাকো। আমাৰ খাদ্য হিচাপে ভক্ষণ কৰাৰ আগতে আমি গম আৰু ধানজাতীয় কৃষিজাত সামগ্ৰীবোৰক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ দ্বাৰা আটা বা চাউল আদিলৈ প্ৰস্তুত কৰি লওঁ। কিন্তু ভাত বা ৰুটীৰ বাদেও আমাৰ আৰু আন বহুতো প্ৰয়োজনীয় বস্তু আছে, যিবোৰক আমি উদ্যোগৰ সহায়ত প্ৰস্তুত কৰি উলিয়াব পাৰো। যেনে— বস্ত্ৰ, কিতাপ-পত্ৰ, পাংখা, গাড়ী-মটৰ, ঔষধ ইত্যাদি। বৰ্তমান যুগত, নিৰ্মাণ শিল্পসমূহে অৰ্থনৈতিক দিশত উন্নত কৰাত বিশেষ ভূমিকা লয়। শিল্পসমূহৰ এক বৃজনসংখ্যক জনসাধাৰণক সংস্থাপন দিয়াৰ লগতে দেশৰ সম্পদ নতুবা ৰাষ্ট্ৰীয় আয় বৰ্ধন কৰাত বিশেষ ভূমিকা পালন কৰে।

## নিৰ্মাণ শিল্পৰ প্ৰকাৰ (Types of Industries) ঃ

শিল্পসমূহক বিভিন্ন প্ৰকাৰে বিভক্ত কৰিব পাৰি। আকাৰ, মূলধন বিনিয়োগ আৰু শ্ৰমিক শক্তিৰ নিযুক্তি আদিৰ আধাৰত, শিল্পসমূহক বৃহৎ মজলীয়া ক্ষুদ্ৰ আৰু কুটীৰ শিল্প আদিত শ্ৰেণীবিভক্ত কৰিব পাৰি। মালিকীস্বত্বৰ আধাৰত শিল্পসমূহক কেইবাটাও শ্ৰেণীভুক্ত কৰা হয় যেনে— ১। ৰাজহুৱা খণ্ডৰ শিল্প, ২। ব্যক্তিগত খণ্ডৰ শিল্প, ৩। যুটীয়া আৰু সমবায় খণ্ড। ৰাজহুৱা খণ্ডৰ উদ্যোগৰ স্বত্বাধিকাৰ চৰকাৰৰ হাতত থাকে। অথবা ৰাজ্যিকভাৱে নিয়ন্ত্ৰিত কোম্পানী নতুবা চৰকাৰৰ দ্বাৰা বিনিয়োগ থকা নিগমৰ দ্বাৰা পৰিচালিত হয়। কূটনৈতিক কৌশলগত উদ্যোগ আৰু ৰাষ্ট্ৰীয় মৰ্যাদাসম্পন্ন উদ্যোগসমূহ সাধাৰণতে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত হৈ থাকে। ব্যৱহাৰ কৰা সামগ্ৰীবোৰৰ আধাৰতো শিল্পসমূহক শ্ৰেণীবিভক্ত কৰিব পাৰি। যেনে— ১। মৌলিক সামগ্ৰীৰ উদ্যোগ, ২। মূলধন সামগ্ৰীজাত উদ্যোগ, ৩। মধ্যৱৰ্তী সামগ্ৰীজাত উদ্যোগ আৰু ৪। উপভোক্তা সামগ্ৰী উদ্যোগ।

উদ্যোগবোৰৰ শ্ৰেণীবিভক্ত কৰা আন এক পদ্ধতি অনুসৰি ব্যৱহাৰ্য হোৱা কেঁচামালৰ আধাৰত কৰিব পাৰে। এনেবোৰক ক্ৰম অনুযায়ী এইধৰণে বিভক্ত কৰিব পাৰি ঃ ১। কৃষিৰ আধাৰত থকা উদ্যোগ, ২। বনজ সম্পদৰ আধাৰত থকা উদ্যোগ, ৩। খনিজ পদাৰ্থৰ আধাৰত গঢ় লোৱা উদ্যোগ আৰু ৪। উদ্যোগজাত প্ৰক্ৰিয়াৰে পোৱা কেঁচামালৰ আধাৰত থকা উদ্যোগসমূহ।

আন এক সচৰাচৰ উদ্যোগৰ শ্ৰেণীবিভাগ, নিৰ্মাণ সামগ্ৰীৰ প্ৰকৃতিৰ ওপৰত আধাৰ কৰি কৰা হয়। এনে পদ্ধতিৰে আঠোটা শ্ৰেণীৰ উদ্যোগ চিনাক্ত কৰা হৈছে— ১। ধাতৱিক উদ্যোগ (Metallurgical Industries), ২। যান্ত্ৰিক উদ্যোগ (Mechanical Industries), ৩। ৰাসায়নিক আৰু মিশ্ৰ উদ্যোগ (Chemical and Allied Industries), ৪। বয়ন উদ্যোগ (Textile Industries), ৫। খাদ্য প্ৰক্ৰমণ উদ্যোগ (Food Processing Industries), ৬। বৈদ্যুতিক উৎপাদক (Electricity Generation), ৭। ইলেকট্ৰ'নিক সামগ্ৰী উদ্যোগ (Electronics Industries), ৮। যোগাযোগৰ উদ্যোগ (Communication Industries)।

তোমালোকে কেতিয়াবা নিশ্চয় চলন্ত শিল্প উদ্যোগৰ (Foot loose Industries) বিষয়ে পঢ়িবলৈ পাইছা। এইবোৰনো কি বাৰু? এইবোৰৰ কেঁচা সামগ্ৰীস্থানৰ লগত কিবা সম্পৰ্ক আছেনে নাই বাৰু?

## উদ্যোগৰ স্থান নিৰ্ণয় (Location of Industries) ঃ

ভাৰতবৰ্ষৰ পূব আৰু দক্ষিণাংশত, লো আৰু তীখা উদ্যোগৰ স্থান থকাৰ কাৰণটোৰ বিষয়ে তোমালোকে কিবা অনুমান কৰিব পাৰানে? উত্তৰপ্ৰদেশ, হাৰিয়ানা, পঞ্জাব, ৰাজস্থান আৰু গুজৰাটত কিয়, লো আৰু তীখা উদ্যোগ থকা দেখা নাই?

কেতবোৰ কাৰকৰ দ্বাৰা উদ্যোগৰ স্থান নিৰ্ণয় হয়। যেনে— কেঁচাসামগ্ৰী থকা সুবিধা (access of raw materials), শক্তি (Power), বজাৰ (Market), মূলধন (Capital), যাতায়াতৰ বন্দৱস্ত থকা (Transport) আৰু শ্ৰমিক (Labour) ইত্যাদি। আপেক্ষিকাৰে এই কাৰকবোৰৰ তাৎপৰ্য সময় আৰু স্থান সাপেক্ষে সালসলনি হৈ থাকে। উদ্যোগৰ ধৰণ আৰু কেঁচা সামগ্ৰীৰ মাজত নিবিড় সম্পৰ্ক আছে।

মিতব্যয়ী তেতিয়াহে হ'ব, যেতিয়া উৎপাদনৰ খৰচ আৰু নিৰ্মাণকাৰ্যৰ সামগ্ৰী উপভোক্তাৰ ওচৰ পাওঁতে হোৱা খৰচ অতিকৈ কম হোৱা স্থান নিৰ্ণয় কৰিব পৰা যাব। কেঁচামাল আৰু উৎপাদনৰ দ্বাৰা প্ৰস্তুত হোৱা সামগ্ৰীবোৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি

পৰিবহণ খৰচবোৰ নিৰ্ধাৰণ কৰিব পাৰি। নিৰ্মাণ শিল্পসমূহৰ স্থান নিৰ্ণয় কৰাত প্ৰভাব বিস্তাৰ কৰা কাৰক কেইটামানৰ বিষয়ে তলত চমুকৈ বৰ্ণনা কৰা হ'ল ঃ

**কেঁচামাল (Raw Materials) ঃ**

সাধাৰণতে কেঁচামাল পোৱা অঞ্চলবোৰত এনে উদ্যোগ গঢ়ি উঠে। এইবোৰ শিল্প ওজনত হ্ৰাস পোৱা কেঁচামাল (Weight losing ra materials) ব্যৱহাৰ কৰে। তোমালোকে জানানে, ভাৰতৰ চেনিকলবোৰ কিয়, কুঁহিয়াৰ উৎপাদন কৰা অঞ্চলবোৰৰ আশে-পাশে অৱস্থিত? একেসদৃশ, কাগজৰ মণ্ড উদ্যোগ, তাম গলোৱা উদ্যোগ আৰু পিগ্ আইৰণৰ উদ্যোগবোৰ ক্ৰমে কেঁচামাল অনুসৰি অঞ্চলবিশেষে স্থাপন কৰা হয়। লো আৰু তীখা উদ্যোগত ব্যৱহৃত হোৱা, আকৰিক লো আৰু কয়লা, উভয়ে ওজন হ্ৰাস কৰিবলগা কেঁচামাল। সেয়েহে এক নিৰ্দিষ্ট ব্যৱধান সাপেক্ষে, লো আৰু তীখা উদ্যোগবোৰ কেঁচামাল পোৱা ঠাইৰ নিকটৱৰ্তী অঞ্চলত অৱস্থিত হোৱা উচিত। এই কাৰণে, বেছিসংখ্যক লো আৰু তীখা উদ্যোগ হয়তোবা কয়লাক্ষেত্ৰৰ নিকটৱৰ্তী অঞ্চলত অৱস্থান লয় (বোকাৰো দুৰ্গাপুৰ ইত্যাদি) অথবা আকৰিক লোৰ উৎস অঞ্চলৰ ওচৰত, (ভদ্ৰাৱতী, ভিলাই আৰু ৰুৰকেল্লা) অৱস্থিত। একেধৰণৰে যিবোৰ উদ্যোগ ক্ষয়িষ্ণু কেঁচামালক আধাৰ কৰি গঢ়ি উঠে, সেইবোৰো, কেঁচামালৰ উৎস নিকটৱৰ্তী ঠাইত স্থাপন কৰা হয়।

**শক্তি (Power) ঃ**

যিকোনো উদ্যোগৰ স্থান নিৰ্ণয় কৰোতে শক্তিৰ যোগানৰ বিষয়টোত নিশ্চিত হোৱাটো প্ৰয়োজনীয়। কাৰণ যন্ত্ৰপাতিবোৰ শক্তিৰ (Power) দ্বাৰা চালিত হয়। তথাপিতো কেতবোৰ উদ্যোগ যেনে— এলুমিনিয়াম আৰু সাংশ্লেষিক নাইট্ৰ'জেন নিৰ্মাণ শিল্প (Synthetic nitrogen manufacturing Industries)সমূহ শক্তিৰ উৎসৰ নিচেই কাষত স্থাপন কৰা হয়। কাৰণ এনে উদ্যোগে অধিক শক্তি গ্ৰহণ কৰে আৰু সেয়েহে বৃহৎ পৰিমাণত বৈদ্যুতিক শক্তিৰ প্ৰয়োজন থাকে।

**বজাৰ (Market) ঃ**

নিৰ্মাণ শিল্পৰ প্ৰস্তুত সামগ্ৰীবোৰৰ ওলাই যোৱা পথৰ ব্যৱস্থা বজাৰে যোগান ধৰে। গুৰু যন্ত্ৰপাতি, যন্ত্ৰৰ সঁজুলি, গুৰু ৰাসায়নিক সামগ্ৰীবোৰ উচ্চহাৰত চাহিদা থকা অঞ্চলবোৰৰ আশে-পাশে অৱস্থিত কাৰণ এই সকলোবোৰ সামগ্ৰীৰ বাবে বজাৰৰ অতি প্ৰয়োজনীয়তা থাকে। কপাহী বয়ন উদ্যোগবোৰে ওজন হ্ৰাস নোহোৱা কেঁচামালৰ ব্যৱহাৰ কৰে আৰু সাধাৰণতে এনেবোৰ উদ্যোগ বৃহৎ নগৰকেন্দ্ৰিক হৈ থাকে; উদাহৰণস্বৰূপে মুম্বাই, আহমেদাবাদ, চুৰাট ইত্যাদি। পেট্ৰ'লিয়াম শোধনাগাৰবোৰো বজাৰৰ ওচৰত অৱস্থিত হোৱাটো বাঞ্ছনীয়। কাৰণ খাৰুৱা তেলক পৰিবহণ কৰা সহজ আৰু ভালেমান সামগ্ৰী ইয়াৰ পৰা ব্যুৎপত্তি লাভ কৰে (উপজাত দ্ৰব্য) যিবোৰক কেঁচামাল হিচাপে লৈ আন কিছুমান উদ্যোগ গঢ়ি উঠে। কেইটামান বিশেষ উদাহৰণ হ'ল ক্ৰমে ডিগবৈ, বঙাইগাঁও, কয়ালি, হালদিয়া, মথুৰা, নুনমাটি, নুমলিগড় আৰু বাৰাউনী শোধনাগাৰ। তেল শোধনাগাৰৰ স্থান নিৰ্ণয় কৰা কাৰক হিচাপে বন্দৰবোৰেও বিশেষ ভূমিকা লয়।

**যাতায়াত (Transport) ঃ**

মুম্বাই, চেন্নাই, দিল্লী আৰু কলকাতা আৰু এই মহানগৰবোৰৰ আশে-পাশে কিয় উদ্যোগবোৰ ঘনীভূত হৈ আছে, তোমালোকে কেতিয়াবা বিচাৰ কৰি চাবলৈ চেষ্টা কৰিছানে? এয়া প্ৰকৃততে সত্য যে এই অঞ্চলবোৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ কেন্দ্ৰবিন্দু আছিল। পিচলৈ যেতিয়া ৰে'লৰে লাইনৰ ব্যৱস্থা নিয়াৰিকৈ হ'বলৈ ল'লে তেতিয়া উদ্যোগবোৰ অন্তৰ্বৰ্তী স্থানসমূহলৈ স্থানান্তৰ হ'বলৈ ধৰে। এতিয়া মুখ্য ৰে'লপথৰ লগত, সকলোবোৰ মুখ্য উদ্যোগিক প্ৰকল্পবোৰ সংলগ্ন হৈ আছে।

**শ্ৰমিক (Labour) ঃ**

শ্ৰমিকৰ অবিহনে থকা কোনো উদ্যোগৰ কথা আমি বাৰু ভাবিব পাৰিমনে? উদ্যোগবোৰত কায়িক আৰু কৌশলী শ্ৰমিকৰ প্ৰয়োজন থাকে। ভাৰতবৰ্ষত দুয়োধৰণৰ শ্ৰমিক বৃহৎ সংখ্যাত অপৰ্যাপ্ত পৰিমাণে আছে, কাৰণ আমাৰ বৃহৎ জনসংখ্যাৰ বাবে এয়া সম্ভৱপৰ হৈছে।

**ঐতিহাসিক কাৰক (Historical factors) ঃ**

কেৱল মুম্বাই, কলকাতা আৰু চেন্নাই, উদ্যোগ কেন্দ্ৰ হিচাপে পৰিগণিত কিয় হৈছিল, এই বিষয়ে কেতিয়াবা ভাবি চাইছেনে? এই কেন্দ্ৰসমূহত অতীজৰ ঔপনিবেশিকসকলৰ বিশেষ প্ৰভাৱ লক্ষণীয়ভাৱে পৰিছিল। ঔপনিবেশিক সময়ছোৱাৰ প্ৰথমাৱস্থাত,

ইউৰোপিয়ান বণিক শ্ৰেণীয়ে এই কেন্দ্ৰবোৰত নিৰ্মাণকাৰ্য কৰাৰ বাবে বিশেষ প্ৰেৰণা (impetus) যোগাইছিল। সেইবাবে মুৰ্চিদাবাদ, ঢাকা, ভাদহি, চুৰাট, বৰোদা কঝিকʼডে, কʼইম্বাটোৰ, মহীশূৰ আদি ঠাইবোৰত উল্লেখযোগ্য নিৰ্মাণ শিল্পকেন্দ্ৰ হিচাপে গঢ়ি উঠিল। ঔপনিবেশকালৰ পিচৰ পৰ্যায়ৰ উদ্যোগ স্তৰত, নিৰ্মাণ শিল্পৰ এই কেন্দ্ৰবোৰ খৰতকীয়াকৈ বৃদ্ধি পাইছিল। ব্ৰিটেইনত নিৰ্মাণ হোৱা সামগ্ৰীৰ প্ৰতি থকা প্ৰতিযোগিতা আৰু ঔপনিবেশিক শাসনকালৰ, বিভেদযুক্ত নীতিসমূহৰ বাবে এনে হʼবলৈ পাইছিল।

ঔপনিবেশৰ সময়ছোৱাৰ শেষৰ স্তৰত বৃটিছসকলে কিছুমান নিৰ্বাচিত অঞ্চললৈ, উদ্যোগবোৰক আগুৱাই লৈ গৈছিল। দেশখনত পিচলৈ বিভিন্নধৰণৰ উদ্যোগে বৃহৎ স্থান অধিকাৰ কৰিবলৈ আৰম্ভ কৰে।

## ঔদ্যোগিক নীতি (Industrial Policy) ঃ

এখন গণতান্ত্ৰিক দেশ হোৱা বাবে ভাৰতবৰ্ষত একক ভাৰসাম্যতা ৰাখি অঞ্চলসমূহত অৰ্থনৈতিক বৃদ্ধি ঘটাই বিকাশ কৰাৰ উদ্দেশ্য হাতত লোৱা হয়। দেশৰ অনগ্ৰসৰ জনজাতীয় লোকৰ অধ্যুষিত অঞ্চলবোৰ বিকশিত কৰাৰ উদ্দেশ্যে ভিলাই আৰু ৰুৰকেল্লাত লো আৰু তীখা উদ্যোগ প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৰ্তমান ভাৰত চৰকাৰে অনগ্ৰসৰ অঞ্চলবোৰত উদ্যোগ স্থাপন কৰাৰ বাবে যথেষ্ট উৎসাহ আৰু উদগনিমূলক ব্যৱস্থা লৈছে।

## মুখ্য উদ্যোগসমূহ (Major Industries) ঃ

যিকোনো দেশৰ বাবে লো আৰু তীখাৰ উদ্যোগক নিৰ্মাণ শিল্পৰ বিকাশৰ বাবে মূল আধাৰ বা ভেটি হিচাপে ধৰা হয়। কপাহী বয়ন উদ্যোগ, আমাৰ পৰম্পৰাগত উদ্যোগৰ ভিতৰৰে এবিধ বুলি ধৰা হয়। চেনিকল উদ্যোগবোৰ স্থানীয়ভাৱে পোৱা কেঁচা সামগ্ৰীৰ ওপৰত আধাৰিত • এইবিধ শিল্পই আনকি বৃটিছসকল ভাৰতত থকাৰ সময়তো সমাদৰ লাভ কৰি আহিছিল। তদুপৰি বৰ্তমান যুগৰ পেট্ৰʼৰাসায়নিক উদ্যোগ আৰু তথ্য প্ৰযুক্তি (IT) উদ্যোগৰ বিষয়েও এই অধ্যায়টোত আলোচনা কৰা হৈছে।

### লো আৰু তীখা উদ্যোগ (Iron and Steel Industry) ঃ

লো আৰু তীখা শিল্প উদ্যোগৰ উন্নয়নে ভাৰতবৰ্ষত দ্ৰুত উদ্যোগিক বিকাশৰ দুৱাৰ মোকলাই দিলে। ভাৰতৰ প্ৰায় সকলো উদ্যোগ খণ্ডই মূল বুনিয়াদৰ প্ৰয়োজনত লো আৰু তীখা উদ্যোগৰ ওপৰতে নিৰ্ভৰ কৰে।

কৃষিকাৰ্যত ব্যৱহৃত হোৱা সঁজুলিবোৰৰ অধিকাংশই লোৰ অবিহনে আমি নিৰ্মাণ কৰিব পাৰিমনে?

আকৰিক লো আৰু কয়লাৰ বাহিৰেও লো আৰু তীখা শিল্পোদ্যোগত প্ৰয়োজন হোৱা অন্যান্য কেঁচামালবোৰ হʼল ক্ৰমে চূণশিল, ডলমাইট, মেংগানিজ আৰু পোৱামাটি। আটাইবোৰ কেঁচা সম্পদ বেছি গধুৰ (অৰ্থাৎ ওজনত হ্ৰাস হোৱা) বাবে লো আৰু তীখা উদ্যোগৰ স্থানবোৰ, কেঁচামালৰ উৎসৰ ওচৰতে থাকে। ভাৰতবৰ্ষত ছত্তীশগড়, উত্তৰ উৰিষ্যা, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ পশ্চিম অংশ লগ লগালে এক অৰ্ধচন্দ্ৰাকৃতিৰ অবয়ব যেন দেখা যাব, যʼত অতি উচ্চ গুণসম্পন্নতা থকা আকৰিক লো, প্ৰজ্বলন কৰা কয়লা আৰু অন্যান্য আনুষংগিকতা থকা কেঁচামালৰ প্ৰাচুৰ্য আছে।

দেশত বৃহত্তম অখণ্ড (Integrated) তীখা উদ্যোগ, লো আৰু তীখা উদ্যোগ আৰু আন বহুতো সৰু-সুৰা তীখাৰ কলঘৰ আছে। তদুপৰি কিছুমান দ্বিতীয়ক পৰ্যায়ৰ উৎপাদক, ৰʼলিং কলঘৰ আৰু অন্যান্য লঘু উদ্যোগ অন্তৰ্ভুক্ত কৰিব পাৰি।

## সমন্বিত সংকলিত (পূৰ্ণাংগ) তীখা উদ্যোগসমূহ (Integrated Steel Plants) ঃ

### টাটা লো আৰু তীখা উদ্যোগ (TISCO) ঃ

মুম্বাই-কলকাতা ৰেʼল পথৰ নিকটৱৰ্তী অঞ্চলত 'টাট লো আৰু তীখা কেন্দ্ৰ' অৱস্থিত। উৎপাদিত তীখা ৰপ্তানি কৰিব পৰাকৈ থকা কলকাতা বন্দৰ প্ৰায় ২৪০ কিলোমিটাৰ আঁতৰত আছে। সুবৰ্ণৰেখা আৰু খাৰকৈ নদীয়ে উদ্যোগ ক্ষেত্ৰলৈ পানীৰ যোগান ধৰে। নোৱামুণ্ডি আৰু বাদমম্পাহাৰৰ পৰা আকৰিক লো আহৰণ কৰা হয় আৰু ঝৰিয়া আৰু পশ্চিম বোকাৰো কয়লাক্ষেত্ৰৰ পৰা কয়লা এই উদ্যোগ অঞ্চলটোলৈ অনা হয়।

### ভাৰতীয় লো আৰু তীখা কোম্পানী (IISCO) ঃ

ভাৰত লো আৰু তীখা কোম্পানীয়ে প্ৰথম কাৰখানা হীৰাপুৰত প্ৰতিষ্ঠা কৰে আৰু পিচলৈ কুলটিত আন এটা কাৰখানা স্থাপন কৰে। ১৯৩৭ চনত ভাৰত লো আৰু তীখা কোম্পানীৰ সহযোগিতাত 'বেংগল তীখা নিগম' গঠিত হয় আৰু বাৰ্ণপুৰত (পশ্চিমবংগ)


আন এটা লো আৰু তীখা উৎপাদন কৰা কেন্দ্ৰ স্থাপিত হয়। ভাৰত লো আৰু তীখা কোম্পানীৰ অধীনত থকা, এই তিনিওটা প্ৰতিষ্ঠান, দামোদৰ উপত্যকা কয়লা ক্ষেত্ৰসমূহৰ (ৰাণিগঞ্জ, ঝৰিয়া আৰু ৰামগড়) একেবাৰে ওচৰত অৱস্থিত হৈ আছে। ম্যুৰভঞ্জৰ, সিংভূম অঞ্চলৰ পৰা আকৰিক লো সংগ্ৰহ কৰা হয় আৰু দামোদৰ নদীৰ উপনৈ বৰাকৰ পৰা, পানী আহৰণ কৰে। সমূহ উদ্যোগ ক্ষেত্ৰ কলকাতা-আচানচোল ৰে'লৰেৰ দ্বাৰা সংযোজিত হৈ আছে। কিন্তু দুৰ্ভাগ্যবশত ভাৰত লো আৰু তীখা কোম্পানীৰ তীখা উৎপাদনৰ হাৰ ১৯৭২-৭৩ চনত নিম্নগামী হ'বলৈ ধৰে আৰু উদ্যোগসমূহ চৰকাৰৰ হাতলৈ গুচি যায়।

**বিশ্বেশ্বৰায় লো আৰু তীখা উদ্যোগ (Visresvariya Irons Steel Works LTD (VLSL) ঃ**


তৃতীয় পূৰ্ণাংগ তীখা উদ্যোগটোৰ নাম বিশ্বেশ্বৰায় লো আৰু তীখা প্ৰকল্প; যাক আৰম্ভণিতে মহীশূৰ লো আৰু তীখা নামেৰে জনাজাত আছিল; বাবাবুদল পাহাৰৰ বোমানগুনডি আকৰিক লো উৎপাদনকাৰী অঞ্চলৰ ওচৰত অৱস্থিত। ইয়াৰ আশে-পাশে চূণশিল আৰু মেংগানিজ অপৰ্যাপ্ত পৰিমাণত পোৱা যায়। কিন্তু এই অঞ্চলত কয়লা নাই। আৰম্ভণিৰে পৰা ১৯৫১ চনলৈকে শীতিকাষৰীয়া বনাঞ্চলৰ পৰা কাঠ কাটি আনি জ্বলাই লৈ, পোৱা কয়লা আহৰণ কৰি, ইন্ধন হিচাপে ব্যৱহাৰ কৰি আছিল। পিচলৈ বৈদ্যুতিক ভাটি ব্যৱস্থা কৰি জগ্ জলপ্ৰপাত জলবিদ্যুৎ প্ৰকল্পৰ পৰা জলবিদ্যুৎ শক্তিৰ ব্যৱহাৰ কৰিবলৈ লয় এই উদ্যোগলৈ, ভদ্ৰাৱতী নদীৰ পৰা পানী অনা হয় আৰু প্ৰতিষ্ঠানটোৰ পৰা উৎকৃষ্ট তীখা আৰু মিশ্ৰ পদাৰ্থ উৎপাদন কৰা হয়।





চিত্ৰ ৮.১ ঃ ভাৰতবৰ্ষ ঃ লো আৰু তীখা উদ্যোগসমূহ





টাটা লো আৰু তীখাৰ শিল্পসমূহ (TISCO) Fig 8.2




ভাৰত লো আৰু তীখা কোম্পানী (IISCO) Fig 8.3




বিশ্বেশ্বৰায় তীখা উদ্যোগ Fig 8.4





ৰুৰকেল্লা তীখা উদ্যোগ Fig 8.5




ভিলাই তীখা উদ্যোগ Fig 8.6




দুৰ্গাপুৰ তীখা উদ্যোগ Fig 8.7




বোকাৰো তীখা উদ্যোগ Fig 8.8

স্বাধীনতাৰ পিচত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত (১৯৫৬-৬১) তিনিটা পূৰ্ণাংগ তীখা প্ৰকল্প, বিদেশী কোম্পানীৰ সহযোগিতাত, প্ৰতিষ্ঠা কৰে। উৰিষ্যাৰ ৰুৰকেল্লা, ছত্তীশগড়ৰ ভিলাই আৰু পশ্চিমবংগৰ দুৰ্গাপুৰ। এই তিনিওটা হিন্দুস্থান তীখা

লিমিটেডৰ (HSL) অধীনত গঢ়ি উঠা ৰাজহুৱা খণ্ডৰ উদ্যোগ। ১৯৭৩ চনত Steel Authority of India Limited (SAIL) নামেৰে এটা প্ৰতিষ্ঠান গঢ় লৈ উঠে আৰু তিনিওটা উক্ত প্ৰকল্প পৰিচালনা কৰাৰ দায়িত্ব লয়।

**ৰুৰকেল্লা তীখা উদ্যোগ (Rourkella Steel Plant) ঃ**

১৯৫৯ চনত উৰিষ্যাৰ সুন্দৰগড় জিলাত জাৰ্মানীৰ সহযোগিতাৰে ৰুৰকেল্লা তীখা উদ্যোগ স্থাপন কৰা হয়। কেঁচা সামগ্ৰীবোৰক ওচৰে-পাঁজৰে থকাৰ ওপৰত নিৰ্ভৰ কৰি এই উদ্যোগৰ অৱস্থান নিৰ্ণয় কৰা হয়। ফলত ওজনত হ্ৰাস পাবলগীয়া পদাৰ্থবোৰ কঢ়িওৱা খৰচ যথেষ্ট হ্ৰাস কৰিব পৰা হ'ল। এই প্ৰকল্পটোৰ এক অনন্য স্থানিক প্ৰাধান্যতা আছে, যেনে— ঝাৰিয়াৰ (ঝাৰখণ্ড) পৰা কয়লা, সুন্দৰগড় আৰু কেওঝাৰ পৰা লোৰ আকৰ অনা হয় আৰু হীৰাকুড প্ৰকল্পৰ পৰা শক্তি, বৈদ্যুতিক ভাতীলৈ অনোৱা হয় আৰু কয়েল আৰু শংখ নদীৰ পৰা পানী আহৰণ কৰা হয়।

**ভিলাই তীখা উদ্যোগ (Bhilai Steel Plant) ঃ**


ছত্তীশগড়ৰ দুৰ্গ জিলাত ৰাছিয়াৰ সহযোগিতাৰে ভিলাই তীখা উদ্যোগটোৱে প্ৰতিষ্ঠা লাভ কৰে আৰু ১৯৫৯ চনৰ পৰা উৎপাদনকাৰ্য আৰম্ভ হয়। এই উদ্যোগ প্ৰতিষ্ঠানটোলৈ ডাল্লি-ৰাজহাড়া খনিৰ পৰা আকৰিক লো (চিত্ৰ ৮.৬) আৰু কোৰ্‌বা আৰু কাৰগালি নামৰ কয়লা ক্ষেত্ৰৰ পৰা কয়লা অনোৱা হয়। টন্দুলাডামৰ পৰা পানী আৰু কোৰ্‌বা থাৰমেল শক্তি কেন্দ্ৰৰ পৰা বৈদ্যুতিক শক্তি আহৰণ কৰা হয়। এই উদ্যোগটো আনহাতে কলকাতা-মুম্বাই ৰে'ল পথৰ লগত সংলগ্ন হৈ আছে। উৎপাদিত তীখাৰ ভাণ্ডাৰবোৰ বিশাখাপট্টনমৰ হিন্দুস্থান জাহাজ নিৰ্মাণ বন্দৰলৈ নিয়া হয়।

**দুৰ্গাপুৰ তীখা উদ্যোগ (Durgapur Steel Plant) ঃ**

বৃটিছ গণৰাজ্য চৰকাৰৰ সহযেগিতাৰে পশ্চিমবংগত দুৰ্গাপুৰ তীখা উদ্যোগটোৱে প্ৰতিষ্ঠা লাভ কৰে আৰু ১৯৬২ চনৰ পৰা উৎপাদন আৰম্ভ কৰিবলৈ লয়। ৰাণিগঞ্জ আৰু ঝৰিয়া কয়লা ক্ষেত্ৰৰ ওচৰতে এই উদ্যোগস্থলী অৱস্থিত আৰু আকৰিক লো নোৱামুণ্ডিৰ পৰা সংগ্ৰহ কৰি লয়। (চিত্ৰ ৮.৭) দুৰ্গাপুৰ, কলকাতা-দিল্লী ৰে'ল পথৰ লগত সংযোজিত হৈ আছে। তদুপৰি দামোদৰ উপত্যকা নিগমৰ (DVC) পৰা জলবিদ্যুৎ শক্তি আৰু পানী আহৰণ কৰা হয়।

**বোকাৰো তীখা উদ্যোগ (Bokaro Steel Plant) ঃ**

ৰাছিয়াৰ সহযোগিতাৰে এই উদ্যোগ বোকাৰোত ১৯৬৪ চনত চৰকাৰী খণ্ডত প্ৰতিষ্ঠিত হৈ উঠিছিল। বোকাৰো ৰুৰুকেল্লাক একেলগ কৰি, পৰিবহণৰ খৰচ নিম্ন কৰা নীতি অৱলম্বন কৰি, এই উদ্যোগটো স্থাপিত হৈছিল। ৰুৰুকেল্লা অঞ্চলৰ পৰা ইয়ালৈ আকৰিক লো সৰবৰাহ কৰা হয় আৰু একেখন বাগীৰে আকৌ কয়লা কঢ়িয়াই অনা-নিয়া কৰে। আনবোৰ পদাৰ্থ, বোকাৰোলৈ প্ৰায় ৩৫০ কিলোমিটাৰমান দূৰত্বৰ ভিতৰতে সৰবৰাহকৰা হয়। দামোদৰ উপত্যকা নিগমৰ দ্বাৰাই জলবিদ্যুৎ শক্তি আৰু পানীৰ যোগান ধৰা কাৰ্য চলি থাকে।



*চিত্ৰ ৮.৯ ঃ সম্পূৰ্ণ হৈ উঠা তীখাৰ উৎপাদন*

**অন্যান্য তীখা উদ্যোগসমূহ ঃ**

চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকিল্পনাৰ সময়ত হৈ গঢ়ি উঠা লো-তীখা উদ্যোগসমূহ মুখ্য কেঁচাসামগ্ৰীবোৰৰ উৎসতকৈ বহু দূৰত্বত অৱস্থিত। এই তিনিওটা উদ্যোগ, দক্ষিণ ভাৰতত অৱস্থিত। অন্ধ্ৰপ্ৰদেশৰ, বিশাখাপট্টনমত থকা ভিঝাগ তীখা প্ৰকল্পটো (Vizag Steel Plant) সৰ্বপ্ৰথম বন্দৰ আধাৰিত উদ্যোগ। যাৰ ১৯৯২ চনৰ পৰাহে উৎপাদনকাৰ্য আৰম্ভ হৈ উঠিছিল। ইয়াৰ বন্দৰ অৱস্থানৰ বাবে যথেষ্ট গুৰুত্ব আছে।


কৰ্ণাটকৰ হছ্‌পেট অঞ্চলৰ বিজয়নগৰ তীখা উদ্যোগটোৱে থলুৱা প্ৰযুক্তি ব্যৱহাৰৰ দ্বাৰা বিকশিত হৈছিল। ইয়াত স্থানীয়ভাৱে

পোৰা আকৰিত লো আৰু চূণশিল ব্যৱহৃত হৈ আছে। তামিলনাড়ুৰ চালেম তীখা উদ্যোগটো ১৯৮২ চনত অনুমতি লাভ কৰি বৰ্ত্তমানে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি উৎপাদন কাৰ্য অব্যাহত ৰাখিছে।

এই মুখ্য তীখা উদ্যোগবোৰৰ বাদেও দেশৰ বিভিন্ন প্ৰান্তত, ২০৬ টাতকৈও অধিক তীখা উদ্যোগ আছে। ইয়াৰ সৰহসংখ্যকেই এৰেহা লৌহক মুখ্য কেঁচামাল হিচাপে ব্যৱহাৰ কৰি আহিছে আৰু প্ৰক্ৰিয়াকৰণ কাৰ্য সাধাৰণ বৈদ্যুতিক ভাতীত সম্পন্ন কৰে।

## কপাহী বয়ন উদ্যোগ (The Cotton Textile Industry) ঃ

কপাহী বয়ন উদ্যোগ, এক প্ৰকাৰৰ থলুৱা উদ্যোগসমূহৰ ভিতৰতে এটা বুলি ক'ব পাৰি। অতীজত আৰু মধ্যযুগৰ সময়ছোৱাত, ইয়াক কেৱল কুটীৰ শিল্প হিচাপে ব্যৱহাৰ কৰা হৈছিল। ভাৰতবৰ্ষ মুছলিন (Muslin) কাপোৰৰ উৎপাদন ক্ষেত্ৰত পৃথিৱী বিখ্যাত। খুব মিহিধৰণৰ কপাহী কাপোৰ কেলিকো (Calicos), চিণ্টজ (Chintz) আৰু অন্যান্য বিভিন্নতা থকা কপাহী কাপোৰৰ বাবে ভাৰতবৰ্ষৰ সুখ্যাতি আছে। ভাৰতত কেইবাটাও কাৰকৰ বাবে এই উদ্যোগটোৰ উন্নয়ন সম্ভৱপৰ হৈ উঠিছিল। প্ৰথমতে ভাৰতবৰ্ষ এখন ক্ৰান্তিয় দেশ আৰু কপাহ অতিকৈ আৰামদায়ক সূতা যি উষ্ণ আৰু সেমেকা জলবায়ুৰ বাবে উপযোগী। দ্বিতীয়তে, ভাৰতবৰ্ষত এক বৃহৎ পৰিমাণত কপাহ খেতি কৰা হয়। এই উদ্যোগৰ বাবে প্ৰয়োজন হোৱা কৌশলী শ্ৰমিকৰ সংখ্যাও এই দেশত যথেষ্ট। দৰাচলতে কিছুমান অঞ্চলত জনসাধাৰণৰ কেইবাটাও প্ৰজন্মই কপাহী বয়ন উৎপাদনত ন্যস্ত হৈ আছে আৰু পৰৱৰ্তীকালত এই কৌশলবোৰ এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ হস্তান্তৰ হৈ আছিল। এই প্ৰক্ৰিয়াটোৱে তেওঁলোকৰ কৌশল ক্ৰমাৎ নিখুঁত হৈ পৰিছিল।





*চিত্ৰ ৮.১০ ঃ কপাহী বয়নৰ উৎপাদন*

প্ৰাৰম্ভণিতে বৃটিছসকলে থলুৱা কপাহী বয়ন উদ্যোগৰ বিকাশৰ বাবে কোনোধৰণৰ উদগনি দিয়া নাছিল। তেওঁলোকে বৰঞ্চ কেঁচা কপাহ, মানচেষ্টাৰ আৰু লিভাৰপুলৰ কাপোৰৰ কলঘৰবোৰলৈ ৰপ্তানি কৰিছিল আৰু সম্পূৰ্ণ হৈ উঠা সামগ্ৰীবোৰক পুনৰাই ভাৰতলৈ বিক্ৰী কৰাৰ বাবে আনিছিল। এনে কাপোৰবোৰ সস্তীয়াধৰণৰ আছিল। যিহেতু সংযুক্ত গণৰাজ্য কাৰখানাবোৰত বৃহৎ পৰিমাণত উৎপাদিত হোৱা এনে কাপোৰৰ বিপৰীতে ভাৰতবৰ্ষৰ কুটিৰ শিল্পৰ আধাৰত উৎপাদন হোৱা কাপোৰৰ মূল্য বেছি আছিল।

১৯৫৪ চনত, মুম্বাইত পোন প্ৰথমবাৰৰ বাবে আধুনিক কপাহী বস্ত্ৰৰ কাৰখানা প্ৰতিষ্ঠা কৰা হয়। কপাহী বয়ন শিল্প কেন্দ্ৰ স্থাপন কৰাৰ বাবে এই মহানগৰখনত ভালেমান সুবিধা আছে।

যন্ত্ৰচালিত তাঁতশালত সূতা কটা কাম হস্ততাঁত, কপাহী বয়ন উদ্যোগ গুজৰাট আৰু মহাৰাষ্ট্ৰৰ কপাহ উৎপাদন কৰা অঞ্চলৰ অতি নিকটৱৰ্তী স্থলীত মুম্বাই অৱস্থিত। মুম্বাই বন্দৰলৈ ব্যৱহাৰৰ বাবে অনা কেঁচা কপাহ, ইংলেণ্ডলৈও কঢ়িয়াই নিয়া হৈছিল। সেয়েহে মুম্বাই মহানগৰখনতে কপাহ অপৰ্যাপ্তভাৱে আছিল। তদুপৰি মুম্বাই তেতিয়াও টকা-পইচা লেনদেনৰ কেন্দ্ৰস্বৰূপ আছিল আৰু এটা উদ্যোগ স্থাপন কৰোতে, প্ৰয়োজনীয় মূলধন সহজলভ্য আছিল। এখন বৃহৎ নগৰ হোৱা বাবেও নিযুক্তিৰ সুযোগৰ যোগান সহজে দিব পাৰে বাবেও বৃহৎসংখ্যক শ্ৰমিকক আকৰ্ষণ কৰিব পাৰে। সেয়েহে সস্তীয়া আৰু সুলভ বনুৱাৰ সংখ্যাও স্থানীয়ভাৱে পোৱা যায়। কপাহী বয়ন উদ্যোগৰ বাবে প্ৰয়োজনী যন্ত্ৰপাতিবোৰো ইংলেণ্ডৰ পৰা আমদানি কৰা হয়। পৰ্যায়ক্ৰমে ছাহপুৰ কলঘৰ আৰু কেলিকো মিল, (Calico Mill)

আহমেদাবাদত প্ৰতিষ্ঠিত হৈছিল। ১৯৪৭ চনৰ ভিতৰত, ভাৰতত কপাহী কলঘৰৰ সংখ্যা বাঢ়ি গৈ ৪২৩টা হৈছিল, কিন্তু দেশ বিভাজনৰ পিচতে দৃশ্যপটৰ সলনি হ'ল আৰু এক উদ্যোগবিধ ৰবৈক পশ্চাদপসৰণত ভুগিবলৈ ল'লে। ইয়াৰ মুখ্য কাৰণ হ'ল, বেছিসংখ্যক গুণগত মান সম্পন্ন কপাহ খেতিৰ অঞ্চল পশ্চিম পাকিস্তানৰ অন্তৰ্গত হৈ ৰ'ল আৰু ভাৰতবৰ্ষত ৪০৯টা কলঘৰৰ সৈতে কেৱল ২৯ শতাংশ কপাহ উৎপাদন কৰা অঞ্চল থাকি গ'ল।




*চিত্ৰ ৮.১১ ঃ কপাহী বয়ন উদ্যোগসমূহ*

ভাৰত স্বাধীন হোৱাৰ পিছতে এই উদ্যোগে ক্ৰমান্বয়ে অগ্ৰগতি লাভ কৰিবলৈ লয় আৰু অৱশেষত ঠন ধৰি উঠে। ১৯৯৮ চনলৈ ভাৰতত কপাহী উদ্যোগৰ ১৭৮৬টা কলঘৰ হ'ল; তাৰে ভিতৰত ১৯২টা কলঘৰ ৰাজহুৱা খণ্ডৰ আৰু আন ১৫১টা সমবায় খণ্ডৰ অন্তৰ্ভুক্ত হৈ থাকিল।

ভাৰতৰ কপাহী বয়ন উদ্যোগক বিস্তৃতভাৱে দুটা খণ্ডত বিভক্ত কৰিব পৰা যায়, যেনে সংঘবদ্ধ হৈ থকা খণ্ড আৰু বিকেন্দ্ৰীভূত কেন্দ্ৰ। (Decentralised Sector) বিকেন্দ্ৰীভূত খণ্ডত হস্ততাঁত (খাদীকে ধৰি) আৰু শক্তিচালিত তাঁতত উৎপাদন হোৱা কাপোৰ অন্তৰ্ভুক্ত হৈ থাকে। সংঘবদ্ধ হৈ থকা খণ্ডৰ পৰা উৎপাদন তীব্ৰতাৰে নিম্নগামী হৈছিল অৰ্থাৎ কুৰি শতিকাৰ মধ্যভাগত ৮১ শতাংশৰ পৰা ২০০০ চনলৈ উৎপাদনৰ হাৰ প্ৰায় ৬ শতাংশলৈ নামি যায়। বৰ্তমান বিকেন্দ্ৰীভূত খণ্ডত থকা শক্তিচালিত তাঁতৰ পৰা ৫৯ শতাংশতকৈ অধিক উৎপাদন হৈ আছে আৰু দেশৰ সৰ্বমুঠ কপাহী বস্ত্ৰ উৎপাদনৰ ১৯ শতাংশ উৎপাদন হস্ততাঁত খণ্ডই উৎপাদিত কৰি আছে।

কপাহ হ'ল এবিধ 'শুদ্ধ' কেঁচা পদাৰ্থ, যাৰ শিল্পকাৰ্য প্ৰক্ৰিয়াত কোনোধৰণৰ ওজনৰ হ্ৰাস নহয়। সেয়েহে উদ্যোগৰ স্থান নিৰ্ণায়ক কাৰক হিচাপে, তাঁতশাল চলাবলৈ থকা প্ৰয়োজনীয় শক্তি, শ্ৰমিক, মূলধন অথবা বজাৰ আদি ওপৰত গুৰুত্ব দিয়া হয়। বৰ্তমান যুগত এই উদ্যোগৰ স্থান নিৰ্ণয় কৰোতে বজাৰ বা বজাৰৰ ওচৰত থকাটোতে চিন্তা কৰা হয় কাৰণ যিহেতুকে ই বজাৰকেন্দ্ৰিক শিল্প। কেনেধৰণৰ কাপোৰৰ উৎপাদন কৰাৰ প্ৰয়োজন থাকে। আকৌ সম্পূৰ্ণ শেষ হৈ উঠা উৎপাদিত সামগ্ৰীবোৰৰ যিহেতু বজাৰখনো চৰমভাৱে সালসলনি হৈ থাকে, সেয়েহে কলঘৰবোৰৰ স্থান বজাৰৰ নিকটৱৰ্তী স্থানত থকা প্ৰয়োজন।

উনৈশ শতিকাৰ দ্বিতীয়ভাগত, মুম্বাই আৰু আহমেদাবাদত, প্ৰথম কপাহী বয়নৰ কলঘৰ স্থাপন হয় আৰু দ্ৰুতহাৰত এই উদ্যোগৰ প্ৰসাৰণ হ'বলৈ ল'লে। নাটকীয় গতিত কলঘৰবোৰক সংখ্যা বৃদ্ধি পাই গ'ল। সেই সময়ত বৃটিছৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ প্ৰতি সামূহিক বৰ্জনৰ ভাবুকি আহিলত স্বদেশী আন্দোলনে কপাহী বয়ন উদ্যোগক মুখ্যভাৱে প্ৰেৰণা যোগালে আৰু ভাৰতীয় বয়বস্তুৰ প্ৰতি অনুৰাগ বৃদ্ধি পালে। ১৮২১ চনৰ পিছত ৰে'লপথৰ প্ৰসাৰণ আৰু বিকাশৰ সৈতে ৰজিতা খুৱাই, অন্যান্য কপাহী বয়ন কেন্দ্ৰবোৰৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিল। দক্ষিণ ভাৰতৰ, কইম্বাটোৰ, মাদুৰাই আৰু বাংগালোৰত কলঘৰ স্থাপন হ'বলৈ ধৰে। নাগপুৰ, ইন্দোৰ, চোলাপুৰ আৰু বৰোদাত কপাহী বস্ত্ৰ শিল্পৰ কেন্দ্ৰ হৈ পৰিল। স্থানীয়ভাৱে মূলধন বিনিয়োগৰ দ্বাৰা কানপুৰত কপাহী বস্ত্ৰৰ কলঘৰ স্থাপন হ'ল। কলকাতাত, বন্দৰৰ সুবিধা থকা হেতুকে, কলঘৰ স্থাপন হ'বলৈ ধৰে। নাগপুৰ, ইন্দোৰ, চোলাপুৰ আৰু বৰোদাত কপাহী বস্ত্ৰ শিল্পৰ কেন্দ্ৰ হৈ পৰিল। স্থানীয়ভাৱে মূলধন বিনিয়োগৰ দ্বাৰা, কানপুৰত কপাহী বস্ত্ৰৰ কলঘৰ স্থাপন হ'ল। কলকাতাত বন্দৰৰ সুবিধা থকা হেতুকে কলঘৰ স্থাপন হ'বলৈ ধৰে।

জলবিদ্যুৎ প্ৰকল্পৰ উন্নয়নে কপাহী বয়নৰ কলঘৰবোৰক কপাহ উৎপাদনকাৰী অঞ্চলৰ পৰা দূৰলৈ অৱস্থান লোৱাত অৰিহণা যোগাইছিল। তামিলনাডুত এই উদ্যোগৰ দ্ৰুত বিকাশৰ কাৰণ হ'ল কলঘৰবোৰলৈ জলবৈদ্যুতিক শক্তিৰ অপৰ্যাপ্ত যোগান ব্যৱস্থা। উজ্জয়নী, ভাৰুছ, আগ্ৰা, হঠৰাজ, ক'ইম্বাটোৰ আৰু টিৰুন্নুভেল্লীৰ নিচিনা কেন্দ্ৰবোৰত নিম্ন মাননী লোৱা শ্ৰমিকৰ বাবেও কপাহ উৎপাদন হোৱা অঞ্চলৰ পৰা দূৰৈত, উদ্যোগ স্থাপন হ'ল।

য'ত এটা বা ততোধিক অৱস্থান নিৰ্ণায়ক কাৰক সুবিধাজনক হিচাপে থকা পাইছে তাতেই এনেদৰে উদ্যোগ স্থাপন হৈ ভাৰতৰ প্ৰায় প্ৰতিখন ৰাজ্যতে কপাহী বয়ন শিল্প প্ৰতিষ্ঠিত হ'ল। বজাৰ বা স্থানীয় সস্তীয়া বনুৱা শক্তি বা শক্তিক উপলব্ধতা আদিও কেঁচা সামগ্ৰীৰ প্ৰয়োজনীয়তাৰ ভিতৰত থাকিব পাৰে।

বৰ্তমান কপাহী বয়ন শিল্প থকা মুখ্য কেন্দ্ৰবোৰ হ'ল ক্ৰমে আহমেদাবাদ, ভিৱাণ্ডী, চোলাপুৰ, কোলহাপুৰ, নাগপুৰ, ইন্দোৰ আৰু উজ্জেন। এই সকলোবোৰ কেন্দ্ৰই থলুৱা কেন্দ্ৰ আৰু কপাহ উৎপাদনকাৰী অঞ্চলৰ নিকটত অৱস্থিত হৈ আছে। মহাৰাষ্ট্ৰ, গুজৰাট আৰু তামিলনাডু, আগশাৰীৰ কপাহ উৎপাদনকাৰী ৰাজ্য। পশ্চিমবংগ, উত্তৰপ্ৰদেশ, কৰ্ণাটক আৰু পঞ্জাৱ উল্লেখযোগ্য কপাহ বয়ন শিল্পৰ উৎপাদক। (Fig 8.11)।

তামিলনাডুত বৃহৎসংখ্যক কলঘৰ আছে আৰু সেইবোৰৰ বেছিভাগতে, কাপোৰতকৈ সূতা উৎপাদন হয়। দেশৰ আধাতকৈ বেছি কলঘৰৰে সৈতে থকা ক'ইম্বাটোৰ এক উল্লেখযোগ্য কেন্দ্ৰ হিচাপে পৰিগণিত হৈ আছে। আন আন উল্লেখনীয় কেন্দ্ৰবোৰ হ'ল ক্ৰমে চেন্নাই, মাডুৰাই, টিৰুন্নাভেল্লী, টুটিকৰিন্, তাঞ্জাভুৰ, ৰামনাথপুৰম আৰু চালেম। কৰ্ণাটকত কপাহ উৎপাদন হোৱা অঞ্চলত অৰ্থাৎ ৰাজ্যখনৰ উত্তৰ-পূব অংশটোত কপাহ বয়ন শিল্পৰ উন্নয়ন সাধিত হৈছে। ইয়াৰ ভাবানগিৰি হাৱলি, বেল্লাৰী, মহীশূৰ আৰু বাংগালোৰ

আদি উল্লেখযোগ্য কেন্দ্ৰ। অন্ধ্ৰপ্ৰদেশৰ কপাহ উৎপাদন হোৱা টেলেংগানা অঞ্চলত, কপাহী বয়ন শিল্প গঢ়ি উঠিছে। ইয়াৰ বেছিভাগ কলঘৰ সূতাকটা কলঘৰ য'ৰ পৰা সূতা উৎপাদন হৈ থাকে। উল্লেখযোগ্য কেন্দ্ৰবোৰ হ'ল হাইদৰাবাদ, ছেকেন্দ্ৰাবাদ, ৱাৰাংগল আৰু গুণ্টুৰ।

উত্তৰপ্ৰদেশৰ কানপুৰ এক প্ৰসিদ্ধ কেন্দ্ৰ। আন কিছুমান উল্লেখনীয় কেন্দ্ৰ হ'ল ম'ডিনগৰ। হঠৰাজ, ছাহবানপুৰ, আগ্ৰা আৰু লক্ষ্ণৌ। পশ্চিমবংগত, কপাহৰ কলঘৰবোৰ, হুগলী অঞ্চলত। অৱস্থিত হৈ আছে। ইয়াৰ হাওৰা, শ্ৰীৰামপুৰ, কলকাতা আৰু শ্যামনগৰ উল্লেখযোগ্য কেন্দ্ৰ।

১৯৫০-৫১ৰ পৰা ১৯৯৯-২০০০ চনলৈকে কপাহী বস্ত্ৰৰ উৎপাদন পাঁচগুণ বৃদ্ধি পাইছিল। সংশ্লেষিক কাপোৰৰ লগত কপাহী বয়ন উদ্যোগ, কঠিন প্ৰতিযোগিতাৰ মুখামুখি হ'বলগা হৈছে। ভাৰতত কপাহী বস্ত্ৰ শিল্পৰ আৰু অন্যান্য কি সমস্যা থাকিব পাৰে?

## চেনি উদ্যোগ (Sugar Industry) ঃ

চেনি উদ্যোগ দেশৰ দ্বিতীয় প্ৰধান প্ৰয়োজনীয় কৃষিভিত্তিক উদ্যোগ। ভাৰতে কুঁহিয়াৰ উৎপাদন কৰি পৃথিৱীৰ মুঠ উৎপাদনৰ ৮ শতাংশই যোগান ধৰি বৃহত্তম উৎপাদক দেশ, হিচাপে খ্যাতি লাভ কৰিছে। খণ্ডচাৰি আৰু গুৰৰ বাদেও কুঁহিয়াৰৰ পৰা তালমিছিৰি আদিও প্ৰস্তুত কৰা হয়। এই উদ্যোগ ৪ লাখতকৈও অধিক লোকক, প্ৰত্যক্ষভাৱে নিযুক্তি দিয়ে আৰু পৰোক্ষভাৱে বৃহৎসংখ্যক কৃষকক সুবিধা দি আছে। ঋতু অনুসৰি, কেঁচাদ্ৰব্য পোৱা যায় বাবে চেনি উদ্যোগ, একপ্ৰকাৰ ঋতুভিত্তিক উদ্যোগ।

আধুনিক সময়ত এই উদ্যোগৰ উন্নয়নৰ পাত লুটিয়ালে ১৯০৩ চনৰ পৰা আৰম্ভ কৰিব পৰা যাব, যেতিয়া বিহাৰত এটা মাত্ৰ চেনিকলৰ কাম আৰম্ভ হৈছিল। পৰ্যায়ক্ৰমে, চেনিকলবোৰ, বিহাৰ আৰু উত্তৰপ্ৰদেশৰ অন্যান্য অংশবোৰত আৰম্ভ হৈছিল। ১৯৫০-৫১ চনৰ সময়ছোৱাত ১৩৯টা কাৰখানাই কাৰ্য কৰি ১১.৩৪ লাখ টন চেনি উৎপাদন কৰিছিল। ২০০০-০১ চনলৈ চেনিকলৰ সংখ্যা বৃদ্ধি পাই ৫০৬টা হৈছিল আৰু উৎপাদন, ১৭৬.৯৯ লাখ টনলৈ বৃদ্ধি পাইছিল।

## চেনি উদ্যোগৰ অৱস্থান (Location of the Sugar Industry) ঃ

কুঁহিয়াৰ হ'ল ওজনত হ্ৰাস পোৱা শস্য। ইয়াৰ সঁচৰধৰণৰ ওপৰত নিৰ্ভৰ কৰি কুঁহিয়াৰ আৰু চেনিৰ অনুপাত ৯ৰ পৰা ১২ শতাংশ লৈ সালসলনি হৈ থাকে। পথাৰৰ পৰা চপাই আনি দম কৰি জমা কৰি ৰাখোতে ইয়াত থকা চুক্ৰজৰ পৰিমাণ শুকাবলৈ আৰম্ভ কৰে। সেয়েহে কাটি চপোৱাৰ সময়ৰ পৰা ২৪ ঘণ্টাৰ ভিতৰতে ৰস উলিয়াই ল'ব পৰাৰ ওপৰত নিৰ্ভৰ কৰি চেনিক সৰহ পৰিমাণত পাব পাৰি। সেয়েহে, চেনিৰ কলবোৰ, কুঁহিয়াৰ উৎপাদন কৰা অঞ্চলৰ ওচৰতে স্থাপন কৰা হয়।

দেশৰ ভিতৰত মহাৰাষ্ট্ৰ, চেনিৰ উৎপাদনৰ ক্ষেত্ৰত শীৰ্ষস্থানীয় আৰু দেশৰ সৰ্বমুঠ উৎপাদনৰ এক-তৃতীয়াংশই উৎপাদন কৰি আছে। ৰাজ্যখনত সৰ্বমুঠ ১১৯টা চেনিৰ কল আছে। উত্তৰৰ মনমদৰ পৰা দক্ষিণৰ কোলহাপুৰলৈকে বিস্তৃত হৈ থকা এটা ঠেক অঞ্চলৰ এই চেনিকলবোৰ আছে। সমবায় উৎপাদন খণ্ডত বাকী ৮৭টা চেনিকল আছে।


উত্তৰপ্ৰদেশ, দ্বিতীয় প্ৰধান চেনি উৎপাদন কৰা অঞ্চল। ইয়াৰ দুটা অঞ্চলত চেনিৰ কাৰখানাবোৰ পুঞ্জীভূত হৈ আছে • এটা হ'ল গংগা-যমুনাদোৱাব অঞ্চল আৰু আনটো তৰাই অঞ্চল। গংগা-যমুনা দোৱাব অঞ্চলৰ মূল্য চেনি উৎপাদনকাৰী কেন্দ্ৰবোৰ হ'ল ক্ৰমে ছাহাৰানপুৰ, মুঝাফৰনগৰ, মেৰুট, গাজিয়াবাদ, বাঘপট্ আৰু বুলাণ্ডচহৰ জিলা; আনহাতে খেৰি লখিমপুৰ, বস্তি, গোণ্ডা, গোৰক্ষপুৰ, বাহৰাইছ, তৰাই অঞ্চলৰ উল্লেখযোগ্য চেনি উৎপাদন কৰা কেন্দ্ৰ।

তামিলনাডুত চেনিকলবোৰ ক'ইম্বাটোৰ, ভেলোৰ, তিৰুবনামলাই, ভিল্লুপুৰম আৰু তিৰুচিৰাপল্লি জিলাত অৱস্থিত হৈ আছে। কৰ্ণাটকৰ মুখ্য উৎপাদন কৰা জিলাবোৰ হ'ল বেলগম্, বেলাৰি, মণ্ডিয়া, ছিমোগা, বিজাপুৰ আৰু চিত্ৰদুৰ্গ। উদ্যোগবোৰ উপকূলীয় অঞ্চলত সিঁচৰতি হৈ আছে যেনে পূব গোদাবৰী, পশ্চিম গোদাবৰী, বিশাখাপট্টনম জিলা আৰু নিজামাবাদ আৰু টেলেংগানাৰ মেদক জিলা আৰু লগতে ৰয়েলছিমাৰ চিটুৰ জিলা।

চেনি উৎপাদন কৰা আৰু ৰাজ্যসমূহ হ'ল বিহাৰ, পঞ্জাব, হাৰিয়ানা, মধ্যপ্ৰদেশ আৰু গুজৰাট। বিহাৰৰ চাৰণ, চম্পাৰণ, মুজাফ্ফৰনগৰ, ছিয়ান, দৰভাংগা, আৰু গয়া উল্লেখযোগ্য চেনি উৎপাদনকাৰী জিলা। পঞ্জাবৰ আপেক্ষিক গুৰুত্ব যদিও হ্ৰাস হৈছে গুৰুদাসপুৰ, জলন্ধৰ, শংগাৰুৰ, পাটিয়ালা আৰু অমৃতসৰ আদিত কিছু পৰিমাণে চেনি উৎপাদন কৰা হয়। হাৰিয়ানাত, চেনি কল থকা জিলাবোৰ হ'ল, যমুনানগৰ, ৰোহটক, হিছাৰ আৰু ফৰিদাবাদ, গুজৰাটৰ চেনি উদ্যোগ, তুলনামূলকভাৱে নতুনকৈ গঢ়ি উঠিছে। চুবাটিৰ কুঁহিয়াৰ উৎপাদন কৰা লেকাত চেনিকলবিলাক অৱস্থিত হৈ আছে। যেনে জুনাগড়, ৰাজকোট, আমৰেলি, ভালচাদ আৰু ভৱনগৰ জিলা।

## পেট্ৰ'ৰাসায়নিক উদ্যোগ ঃ

ভাৰতত উদ্যোগৰ এই বিভাগটোৱে বৰ খৰকৈ বৃদ্ধি পাই গৈ আছে। বিভিন্নধৰণৰ সামগ্ৰী, এই বিভাগটোৰ লগত অন্তৰ্ভুক্ত হৈ আছে। ১৯৬০ চনত জৈৱ ৰাসায়নৰ প্ৰতি চাহিদা ইমান বেগাই বৃদ্ধি পালে যে এই চাহিদা পূৰণ কৰা কঠিন হৈ পৰিল। সেই সময়ছোৱাত পেট্ৰ'লিয়াম শোধনাগাৰ উদ্যোগবোৰৰ বিস্তৃতি দ্ৰুতগতিত হ'বলৈ ধৰিছিল। খাৰুৱা পেট্ৰ'লিয়ামৰ পৰা বহুতো উপদ্ৰব্যই ব্যুৎপত্তি লাভ কৰে। যিবোৰক আকৌ কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি আন বহুতো নতুন উদ্যোগ গঢ়ি উঠে আৰু এই সকলোবোৰকে একেলগে পেট্ৰ' ৰাসায়নিক শোধনাগাৰ উদ্যোগবোৰৰ বিস্তৃতি, দ্ৰুতগতিত হ'বলৈ ধৰিছিল। খাৰুৱা পেট্ৰ'লিয়ামৰ পৰা বহুতো উপদ্ৰব্যই ব্যুৎপত্তি লাভ কৰে, যিবোৰক আকৌ কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি আন বহুতো নতুন উদ্যোগ উঠে আৰু এই সকলোবোৰকে একেলগে পেট্ৰ'ৰাসায়নিক উদ্যোগ বুলি কোৱা হয়। উদ্যোগৰ এই সামূহিক গোটটোক আকৌ চাৰিটা উপগোটত বিভক্ত কৰা হৈছে ঃ (i) পলিমাৰ (Polymers), (ii) সাংশ্লেষিক সূতা (Synthetic Fibres), (iii) ইলাষ্টোমাৰ (Elastomers), আৰু (iv) চাৰফেকটেণ্ট ইণ্টাৰমিডিয়েট (Surfactant Intermediate)। মুম্বাই পেট্ৰ'ৰাসায়নিক উদ্যোগৰ কেন্দ্ৰ। গেছ ক্ৰেকাৰৰ গোট, অসুৰিয়া (উত্তৰপ্ৰদেশ), জামনগৰ, গান্ধীনগৰ, আৰু হাজৰা (Gujrat), নাগ'থানে, ৰত্নগিৰি (মহাৰাষ্ট্ৰ), হালদিয়া (পশ্চিমবংগ) আৰু বিশাখাপট্টনম (অন্ধ্ৰপ্ৰদেশ) আদি ঠাইত অৱস্থিত।




ৰাসায়নিক আৰু পেট্ৰ'ৰাসায়নিক বিভাগৰ প্ৰশাসনিক নিয়ন্ত্ৰণৰ অধীনত তিনিটা পেট্ৰ'ৰাসায়নিক খণ্ডৰ লগত কাম কৰি থকা অনুষ্ঠান আছে। ইয়াৰে প্ৰথমটো হ'ল ভাৰত পেট্ৰ'ৰাসায়নিক নিগম লিমিটেড তোমালোকে জানানে? (Indian Petrochemical Corporation Limited, IPCL) আৰু এই প্ৰতিষ্ঠানটো ৰাজহুৱা খণ্ডৰ অন্তৰ্গত। বিভিন্ন পেট্ৰ'ৰাসায়নিক সামগ্ৰী যেনে পলিমাৰ, ৰাসায়নিক সূতা আৰু সংশ্লেষিক ইণ্টাৰমিডিয়েটক প্ৰস্তুত কৰি উলিয়াই বিতৰণ কৰাৰ দায়িত্ব এই প্ৰতিষ্ঠানৰ জৰিয়তে সমাধা হয়। দ্বিতীয় প্ৰতিষ্ঠানটোৰ নাম পেট্ৰ'ফিলচ কোঅ'পাৰেটিভ লিমিটেড লিমিটেড (PCL) ভাৰত চৰকাৰ আৰু

বোৱাকটা সমবায় সমিতিৰ (Weavers Cooperative Societies) মাজত থকা এটা যুটীয়া অনুষ্ঠান। পলিয়েষ্টাৰ ফিলামেণ্টৰ সূতা আৰু নাইলনৰ মিহি টুকুৰা (nylon chips), আদি গুজৰাটৰ বৰোডা আৰু নলদহাৰিত থকা দুটা প্ৰকল্পৰ পৰা উৎপাদন হয়। তৃতীয়টো হ'ল কেন্দ্ৰীয় প্লাষ্টিক ইঞ্জিনীয়াৰিং আৰু প্ৰযুক্তিৰ প্ৰতিষ্ঠান (Central Institute of Plastic Engineering and Technology, CIPET), যিয়ে পেট্ৰ'ৰাসায়নিক উদ্যোগবোৰৰ কাম-কাজ চলোৱাৰ প্ৰশিক্ষণ দিয়া কাম কৰে।

ইথাইলিন (Ethylene) আৰু প্ৰপিলিনৰ (Propylene) পৰা পলিমাৰ প্ৰস্তুত কৰা হয়। খাৰুৱা তেলৰ শোধন প্ৰক্ৰিয়াৰ পৰা, এইবোৰ উপজাত পদাৰ্থ আহৰণ কৰা হ'ল। প্লাষ্টিক উদ্যোগবোৰৰ কেঁচামাল হিচাপে পলিমাৰ ব্যৱহাৰ কৰা হয়। পলিমাৰৰ ভিতৰত, পলিইথাইলিনক (Polyethylene) বেছি হাৰত থাৰ্মোপ্লাষ্টিক উদ্যোগত ব্যৱহাৰ কৰা হয়। প্লাষ্টিকক প্ৰথমতে পাতলৰচি, পাউডাৰ, এঁঠা আৰু বড়ি লৈ ৰূপান্তৰ কৰি লোৱা হয় আৰু পিছত নিৰ্মাণ প্ৰক্ৰিয়াৰ দ্বাৰা প্লাষ্টিকৰ বস্তুবোৰ বনোৱা হয়। প্লাষ্টিকৰ বস্তুবোৰৰ ক্ষমতা, নমনীয়তা, পানী আৰু ৰাসায়নিক প্ৰতিহত ক্ষমতা থাকে আৰু লগতে দাম কম বাবে বেছি গুৰুত্ব দিয়া হয়। ভাৰতবৰ্ষত পঞ্চাশ দশকৰ শেষৰফালে প্লাষ্টিক পলিমাৰৰ উৎপাদন কাৰ্য আৰু ষাঠিৰ দশকৰ আদিতে আন জৈৱ ৰসায়ন ব্যৱহাৰ কৰা কাম আৰম্ভ হৈছিল। ৰাষ্ট্ৰীয় জৈৱ ৰাসায়নিক উদ্যোগ লিমিটেড (National Organic Chemicals Industries Limited, NOCL), ১৯৬১ চনত ব্যক্তিগত খণ্ডৰ অধীনত প্ৰতিষ্ঠা লাভ কৰিছিল আৰু মুম্বাইত প্ৰথম নেপথাৰ আধাৰত ৰাসায়নিক উদ্যোগৰ কাম আৰম্ভ হৈছিল। পিচলৈ আন বহুতো কোম্পানী গঠন হৈছিল। মুম্বাই, বাৰাউনী, মেটুৰ, পিমপ্ৰি আৰু ৰিচ্‌ৰাত্‌ অৱস্থিত হৈ থকা উদ্যোগবোৰ, প্লাষ্টিক পদাৰ্থৰ মুখ্য উৎপাদক।

এই গোটবোৰৰ ৭৫ শতাংশই, ক্ষুদ্ৰ গোটৰ উদ্যোগ। এনে উদ্যোগবোৰে, ব্যৱহৃত হোৱা প্লাষ্টিক পুনৰ ব্যৱহাৰ কৰে। মুঠ উৎপাদনৰ প্ৰায় ৩০ শতাংশই পুনৰ সংঘটিত (recycle) কৰাৰ ফলত, উৎপাদন হোৱা বস্তু।

সাংশ্লেষিক সূতাবোৰ বহুত বেছিকৈ বস্ত্ৰ, উদ্যোগত ব্যৱহাৰ কৰা হয়; কাৰণ এনে সূতাৰ আন্তঃশক্তি, টিকি থকা গুণ, ধুব পৰা সুবিধা আৰু সংকোচন প্ৰতিৰোধ ক্ষমতা থাকে। কোটা, পিম্প্ৰি, মুম্বাই, মডিনগৰ, পুনে, উজ্জয়িনী, নাগপুৰ আৰু উধ্‌না আদি ঠাইত নাইলন আৰু পলিয়েষ্টাৰ সূতাৰ শিল্পসমূহ আছে। কোটা আৰু বৰোদাত এক্ৰলিক আঁহ সূতা বনোৱা হয়।

প্লাষ্টিক সামগ্ৰী, আমাৰ দৈনন্দিন ব্যৱহাৰত অপৰিহাৰ্য অংশ যদিও এইবোৰে আমাৰ জীৱনশৈলীত প্ৰভাৱ বিস্তাৰ কৰিও আছে। কিন্তু ইয়াৰ অ-জৈৱ স্খলন (non-biodegrable) গুণৰ বাবে পৰিবেশৰ প্ৰতি এক বিশেষধৰণৰ ভাবুকিৰ সৃষ্টি হৈছে। সেই কাৰণে ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত, প্লাষ্টিক ব্যৱহাৰ কৰা কাৰ্যত নিৰুৎসাহিত কৰা হৈছে। প্লাষ্টিক পদাৰ্থই আমাৰ পৰিবেশৰ ওপৰত কেনে বিৰূপ প্ৰতিক্ৰিয়া কৰে সেই বিষয়ে তোমালোকে জানানে?

### জ্ঞানভিত্তিক উদ্যোগ (Knowledge based Industries) ঃ

দেশৰ অৰ্থনীতিত তথ্যপ্ৰযুক্তিৰ অগ্ৰসৰতাই এক সুগভীৰ (Profound) প্ৰভাৱ পেলাইছে। তথ্যপ্ৰযুক্তিয়ে (Information Technology, IT) অৰ্থনৈতিক আৰু সামাজিক ৰূপান্তৰ কাৰ্যত, বিপ্লৱৰ সৃষ্টি কৰি নৱ সম্ভাৱনীয়তাৰ দুৱাৰ মুকলি কৰিছে। তথ্য প্ৰযুক্তি (IT) আৰু তথ্য প্ৰযুক্তিৰ দ্বাৰা সক্ষম হৈ উঠা, ব্যৱসায়িক উৎস উদ ঘাটন প্ৰক্ৰিয়া (IT Enabled business process outsourcing, ITES BOP) কাৰ্যবোৰ ঠন ধৰি আগবাঢ়িবলৈ লৈছে। ভাৰতৰ অৰ্থনীতিত চফটৱেৰ উদ্যোগ, দ্ৰুত বৃদ্ধি ঘটা উদ্যোগ খণ্ডবোৰৰ মাজত অন্যতম। ভাৰতৰ Software আৰু কাৰ্যকৰী খণ্ডৰ ৰপ্তানীৰ পৰিমাণ ২০০৪-০৫ চনত ৭৮,২৩০ কোটি হৈছিল। যি পুবৰ বছৰবোৰতকৈ ৩০-৩২ শতাংশৰ ওচৰাউচৰিকৈ বৃদ্ধি পাইছে। ছফটৱেৰ উদ্যোগে ইলেকট্ৰ'নিক হাৰ্ডৱেৰ উৎপাদনকো চেৰ পেলাইছে। এতিয়া ভাৰত চৰকাৰে দেশত বহুতো ছফ্‌টৱেৰৰ পাক খুলি দিছে।

ভাৰতৰ সৰ্বমুঠ ৰাষ্ট্ৰীয় আয়ৰ প্ৰায় ২ শতাংশ তথ্য প্ৰযুক্তি ছফটৱেৰ আৰু কাৰিকৰী উদ্যোগৰ ফালৰ পৰা আহে। ভাৰতীয় ছফ্‌টৱেৰ উদ্যোগে ভাল গুণসম্পন্নতা থকা সামগ্ৰীক যোগান ধৰি যথেষ্ট সুখ্যাতি আৰ্জিব পাৰিছে। বৃহৎসংখ্যক ছফ্‌টৱেৰ কোম্পানীয়ে

আন্তৰ্জাতিক খ্যাতি বিষয়ক সত্যতা অনুমোদনপত্ৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত কাম কৰি থকা সৰহভাগ বহুজাতিক কোম্পানীয়ে ভাৰতবৰ্ষত এতিয়া ছফ্টৱেৰৰ উন্নয়ন কেন্দ্ৰ অথবা অনুসন্ধান বিকাশ কেন্দ্ৰ মুকলি কৰি আছে। তথাপিও হাৰ্ডৱেৰৰ বিকাশ খণ্ডত ভাৰতবৰ্ষই এতিয়াও বিশেষ যথোপযুক্ত সিদ্ধি লাভ কৰিব পৰা নাই।

এনে উদ্যোগৰ বৃদ্ধিয়ে নিযুক্তি সৃষ্টি কৰাৰ ওপৰত মুখ্য প্ৰভাৱ পেলাইছে আৰু এনে পৰিস্থিতি প্ৰতি বছৰে দ্বিগুণত বাঢ়ি আছে।

## ভাৰতত সংস্কাৰ মুক্তায়ন, নিজস্বায়ন, বিশ্বায়ন আৰু উদ্যোগৰ বিকাশৰ (Liberalisation, Privatisation, Globalisation (LPG) and Industrial Development of India) ঃ

১৯৯১ চনত নতুন ঔদ্যোগিক নীতি ঘোষিত হয়। এই নীতিৰ মুখ্য লক্ষ্যবোৰ আছিল— ইতিমধ্যে আহৰণ কৰা লাভাংশক বৰ্ধিত কৰা, বিকৃতি নতুবা দুৰ্বলতাৰে বগাই থকাক শুদ্ধ পথলৈ অনা, উৎপাদনক ধাৰণক্ষম কৰি বৃদ্ধি পথলৈ প্ৰতিপালন কৰা, লাভজনক নিযুক্তি দিব পৰা আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত যোগদান দিব পৰা।


এই নীতিৰ অন্তৰ্গত হৈ থকা প্ৰাথমিক কাৰ্যক্ৰমবোৰ এনেধৰণৰ— ১। ঔদ্যোগিক অনুজ্ঞাপত্ৰৰ উচ্ছেদ কৰা, ২। বিদেশৰ প্ৰযুক্তিক মুকলিকৈ আবাহন কৰা, ৩। বিদেশৰ বিনিয়োগ নীতিত চকু দিয়া, ৪। মূলধন বজাৰলৈ প্ৰৱেশ কৰা, ৫। মুকলি বাণিজ্য, ৬। দশা হিচাপে থকা উদ্যোগৰ কাৰ্যক্ৰমণিকা উচ্ছেদ কৰা, ৭। উদ্যোগিক অৱস্থানৰ কাৰ্যক্ৰমণিকা সংস্কাৰমুক্ত কৰা। উদ্যোগিক নীতি তিনিটা ধাৰালৈ বিস্তৃত হৈ আছে ঃ সংস্কাৰমুক্তায়ন, নিজস্বায়ন আৰু বিশ্বায়ন।

মাত্ৰ কৌশল, নিৰাপত্তা অথবা পৰিবেশ সম্পৰ্কৰ সৈতে জড়িত থকা ছটা উদ্যোগৰ বাহিৰে আনবোৰৰ বাবে উদ্যোগিক অনুজ্ঞাপত্ৰ দিয়া, পদ্ধতিৰ ৰদ কৰা হৈছে। একে সময়তে আকৌ ১৯৫৬ চনৰে পৰা সংৰক্ষিত কৰি ৰখা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সংখ্যা, ১৭ৰ পৰা হ্ৰাস কৰি ৪ লৈ অনা হ'ল। পাৰমাণৱিক শক্তিৰ সৈতে জড়িত হৈ থকা উদ্যোগবোৰ, পাৰমাণৱিক শক্তি বিভাগৰ অনুসূচিত থকা বিশেষ দ্ৰব্যৰ লগতে ৰে'লৱে বিভাগ আদি ৰাজহুৱা খণ্ডৰ তলত থাকিল। চৰকাৰে আনকি বিত্তীয় প্ৰতিষ্ঠান, জনসাধাৰণ আৰু কৰ্মীসকলক ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ একো একোটা অংশৰ অংশীদাৰ পাতিবলৈ প্ৰস্তাৱ দিয়াৰ সিদ্ধান্ত লৈছিল। উদ্যোগ স্থাপনৰ বাবে আৰম্ভণিতে থাকিবলগীয়া সম্পত্তিৰ সীমা, ধনিষ্ঠামান (Scrapped) কৰা হ'লত অনুজ্ঞাপত্ৰ নথকা উদ্যোগ খণ্ডবোৰত ধন বিনিয়োগ কৰোতে আগতীয়া অনুমোদনৰ প্ৰয়োজন নোহোৱা হ'ল। উদ্যোক্তাসকলে কেৱল এখন ফৰমেটৰ জৰিয়তে দৰ্খাস্ত দিলে এটা উদ্যোগৰ স্থাপন কৰা সুবিধাখিনি পায়।

উদ্যোগৰ নতুন নীতি অনুযায়ী উচ্চস্তৰৰ এক অৰ্থনৈতিক উন্নতিৰ হকে, দেশীয় মূলধন বিনিয়োগৰ পৰিপূৰক হিচাপে, বিদেশী মূলধন বিনিয়োগ (Foreign Direct Investment, FDI) প্ৰত্যক্ষভাৱে থকাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। FDIৰ দ্বাৰা স্বদেশীয় উদ্যোগ, উপকৃত হোৱাৰ লগতে উপভোক্তাসকলক ঊৰ্দ্ধগতিৰে আগবঢ়া প্ৰযুক্তিৰ যোগান দিব পাৰিছে, গোলকীয় পৰিচালনা কৌশল আৰু অনুশীলন কৰাৰ পথ দেখুৱাব পাৰিছে আৰু প্ৰাকৃতিক আৰু মানৱ সম্পদৰ ন্যূনতম ব্যৱহাৰ কেনেদৰে কৰিব পৰা যায়, সেই কথাটোত সকীয়নি দিছে। এই ভাবধাৰা সন্মুখত লৈ বিদেশী বিনিয়োগক সংস্কাৰমুক্ত কৰা হ'ল আৰু চৰকাৰে বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ স্বয়ংক্ৰিয় ৰাস্তা মুকলি কৰাৰ উদগনি দিছে। চৰকাৰে আনকি, উদ্যোগৰ স্থান নীতিৰ পৰিৱৰ্তনৰ বাবে ঘোষণা কৰিছে। পৰিবেশ ৰক্ষাৰ খাতিৰত, উদ্যোগবোৰক, বৃহৎ মহানগৰৰ আশে-পাশে থকাটোত নিৰুৎসাহিত কৰা হৈছে।

স্বদেশী ব্যক্তিগত বিনিয়োগকাৰী আৰু বহুজাতিক কোম্পানী, উভয়কে আকৰ্ষিক কৰাবলৈ উদ্যোগিক নীতি, সংস্কাৰমুক্ত কৰা হৈছে। নতুন উদ্যোগ খণ্ডবোৰৰ যেনে— খনি, বাৰ্তাযোগাযোগ, ঘাইপথ নিৰ্মাণ আৰু পৰিচালনাৰ দায়িত্বভাৰ ব্যক্তিগত কোম্পানীবোৰলৈ মুকলি কৰি ৰাখিছে। ইমানখিনি ৰেহাই দিয়াৰ সত্বেও বিদেশী প্ৰত্যক্ষ বিনিয়োগ, আশানুৰূপভাৱে পোৱা নাই যদিও বিদেশীৰ সহযোগিতা বৃদ্ধি পাই আছে, অনুমোদন আৰু প্ৰকৃত বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ মাজত এক ব্যৱধান থকাটো দেখিবলৈ পোৱ

গৈছে। বিদেশী বিনিয়োগৰ এক বৃহৎ পৰিমাণ, ঘৰুৱা যন্ত্ৰপাতি, বিত্ত, বৃত্তি, ইলেকট্ৰনিকছ আৰু বৈদ্যুতিক সঁজুলিবোৰত আৰু খাদ্য আৰু দুগ্ধ উৎপাদিত সামগ্ৰীবোৰতে আবদ্ধ হৈ আছে।




*চিত্ৰ ৮.১২ ঃ ছফ্‌টৱেৰ প্ৰযুক্তি অঞ্চল*

বিশ্বায়নে কোনো এখন দেশৰ অৰ্থনীতিক, পৃথিৱীৰ অন্যান্য দেশসমূহৰ অৰ্থনীতিৰ সৈতে একত্ৰিকৰণ কৰা বুজায়। এনে প্ৰক্ৰিয়াত, এখন ৰাষ্ট্ৰৰ পৰা আন এক ৰাষ্ট্ৰলৈ, মূলধন, শ্ৰমিক আৰু সম্পাদকে ধৰি অন্যান্য সামগ্ৰী আৰু বৃত্তি মুকলিমূৰীয়াকৈ

চলাচল কৰি থাকিব পাৰে। যান্ত্ৰিক বজাৰত বিস্তৃত প্ৰয়োগ আৰু বিদেশী বিনিয়োগকাৰীৰ জৰিয়তে বিশ্বায়নৰ সূত্ৰে, স্বদেশী আৰু বিদেশী সামগ্ৰীৰ প্ৰতিযোগিতা বৃদ্ধি পায়। ভাৰতবৰ্ষৰ সন্দৰ্ভত ক'ব পাৰি যে — ১। বিভিন্ন অৰ্থনৈতিক ক্ষেত্ৰত বিদেশী কোম্পানীবোৰক বিনিয়োগ কৰাৰ সুবিধাখিনিৰ যোগান ধৰি, বিদেশী প্ৰত্যক্ষ বিনিয়োগলৈ, দেশৰ অৰ্থনীতিক মুকলি কৰা হ'ল; ২। বহুজাতিক কোম্পানীবোৰক, নিষিদ্ধ আৰু বাধা আঁতৰাই, ভাৰতবৰ্ষলৈ প্ৰৱেশ কৰা পথ, মুকলি কৰা হ'ল; দেশী, বিদেশীৰ সহযোগত, ভাৰতত প্ৰৱেশ কৰা অনুমতি আৰু বিদেশতো সংযুক্ত হৈ উদ্যোগ প্ৰতিষ্ঠাপন কৰা কাৰ্যক উৎসাহিত কৰা হ'ল; ৪। প্ৰথমতে শুল্কত থকা পৰিমাণবাচক (Quantititive) অৱৰোধ সলনি কৰাই সংস্কাৰমুক্ত আমদানিৰ বিস্তৃত কাৰ্যসূচী লোৱা হ'ল আৰু আমদানি শুল্ক কম কৰাটো বিবেচনাধীন হ'ল আৰু ৫। দ্ৰব্য ৰপ্তানি কৰাৰ বাবে উদগনি দিয়াৰ পৰিবৰ্তে ৰপ্তানি বঢ়াবলৈ সালসলনি কৰিবলৈ ঠিকঠাক কৰি বাছি লোৱা হ'ল।

বিদেশী সহযোগিতাৰে সৈতে অনুমোদন থকা উদ্যোগৰ অংশবোৰ চালে বুজিব পৰা যায় যে মুখ্য ভাগটো কেন্দ্ৰ বা অগ্ৰাধিকাৰ খণ্ডই লাভ কৰে; আনহাতে বুনিয়াদ গঢ়োতা অংশ খালী হৈ ৰয়। ইয়াৰ পাছত উন্নত আৰু উন্নয়নশীল ৰাজ্যবোৰৰ মাজৰ ব্যৱধান ক্ৰমাৎ বহল হৈ পৰে। দেশী বিনিয়োগ অথবা বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ মুখ্য অংশ উন্নতি লাভ কৰা ৰাজ্যবোৰলৈ যায়। উদাহৰণ হিচাপে ১৯৯১-২০০০ চনৰ ভিতৰত উদ্যোক্তাসকলৰ দ্বাৰা প্ৰস্তাৱিত সৰ্বমুঠ বিনিয়োগৰ প্ৰায় এক চতুৰ্থাংশ (২৩ শতাংশ), ইতিমধ্যে উন্নতি সাধন কৰা ৰাজ্য, মহাৰাষ্ট্ৰলৈ যায়; ১৭ শতাংশ গুজৰাটলৈ, ৫ শতাংশ তামিলনাডুলৈ আৰু আটাইতকৈ ঘন বসতিপূৰ্ণ ৰাজ্য উত্তৰপ্ৰদেশলৈ মাত্ৰ ৮ শতাংশ যায়। ইমানখিনি ৰেহাই দিয়া সত্বেও উত্তৰ-পূবৰ সাতখন ৰাজ্যই প্ৰস্তাৱিত বিনিয়োগৰ পৰা ১ শতাংশতকৈ কম পৰিমাণে লাভ কৰে। দৰাচলতে উদ্যোগিক বিনিয়োগৰ প্ৰস্তাৱবোৰক অৰ্থনৈতিকভাৱে দুৰ্বল হৈ থকা ৰাজ্যবোৰে মুকলি বজাৰত উন্নত ৰাজ্যবোৰৰ সৈতে, প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব নোৱাৰে আৰু সেইহেতুকে এনেবোৰ প্ৰক্ৰিয়াৰ পৰা ভুগি থাকিবলগীয়া হয়।

## ভাৰতৰ ঔদ্যোগিক অঞ্চলসমূহ (Industial regions in India) ঃ

দেশত উদ্যোগৰ সমানভাৱে বিতৰণ হৈ থকা নাই। অনুকূল অৱস্থান নিৰ্ণায়ক কাৰকবোৰৰ বাবে, উদ্যোগবোৰ কিছুমান স্থান, ঘনীভূত হৈ আছে।

উদ্যোগৰ থূপবোৰ চিনাক্তকৰণৰ বাবে কেতবোৰ সূচকৰ ব্যৱহাৰ কৰা হয়, তাৰ মাজৰ উল্লেখযোগ্যবোৰ হ'ল— ১। উদ্যোগ গোটৰ সংখ্যা, ২। উদ্যোগৰ শ্ৰমিকৰ সংখ্যা, ৩। উদ্যোগিক উদ্দেশ্যত ব্যৱহৃত হোৱা শক্তিৰ পৰিমাপন, ৪। সৰ্বমুঠ উদ্যোগৰ পৰা উৎপাদিত দ্ৰব্য আৰু ৫। নিৰ্মাণ শিল্পৰ দ্বাৰা হোৱা মূল্যায়ন ইত্যাদি।

ভাৰতৰ মুখ্য ঔদ্যোগিক অঞ্চলবোৰৰ কিছুমানৰ নাম তলত দিয়া হ'ল (Fig 8.13)

## ঔদ্যোগিক অঞ্চল আৰু জিলাসমূহ (Industrial Regions and Districts) ঃ

### মুখ্য ঔদ্যোগিক অঞ্চলসমূহ (৮) Major Industrial Regions (8)


১। মুম্বাই-পুনে অঞ্চল, ২। হুগলি অঞ্চল, ৩। বাংগালোৰ-তামিলনাড়ু অঞ্চল, ৪। গুজৰাট অঞ্চল, ৫। ছোটনাগপুৰ অঞ্চল, ৬। বিশাখাপট্টনম গুন্টুৰ অঞ্চল, ৭। গুড়গাৱ দিল্লী মেৰুট অঞ্চল আৰু ৮। কোল্লাম-টিৰুবন্টপুৰম অঞ্চল।

### ক্ষুদ্ৰ ঔদ্যোগিক অঞ্চলসমূহ (১৩) Major Industrial Regions (13)

১। আম্বলা-অমৃতসৰ, ২। ছাহাৰানপুৰ-মুজাফৰনগৰ-বিজন'ৰ, ৩। ইন্দোৰ-ভিৱাছ-উজ্জেন, ৪। জয়পুৰ-আজমিৰ, ৫। কোলহাপুৰ-দক্ষিণ কানাড়া, ৬। মালৱাবৰ উত্তৰাঞ্চল, ৭। মালাৱাৰৰ মধ্য অঞ্চল, ৮। আদিলাবাদ-নিঝামাবাদ, ৯। এলাহাবাদ-বাৰানসী-মিৰ্জাপুৰ, ১০। ভোজপুৰ-মুংগেৰ, ১১। দুৰ্গ-ৰায়পুৰ, ১২। বিলাসপুৰ-কোক্‌ৱা আৰু ১৩। ব্ৰহ্মপুত্ৰ উপত্যকা।

**ঔদ্যোগিক জিলাসমূহ (১৫) Industrial Districts (15)**

১। কানপুৰ, ২। হায়দৰাবাদ, ৩। আগ্ৰা, ৪। নাগপুৰ, ৫। গোৱালিয়ৰ, ৬। ভুপাল, ৭। লক্ষ্ণৌ, ৮। জলপাইগুৰি, ৯। কটক, ১০। গোৰক্ষপুৰ, ১১। আলিগড়, ১২। কোটা, ১৩। পুৰণিয়া, ১৪। জব্বলপুৰ আৰু ১৫। বেৰেলি।




*চিত্ৰ ৮.১৩ ঃ ভাৰতবৰ্ষ— মুখ্য ঔদ্যোগিক অঞ্চলসমূহ*

**মুম্বাই-পুনে ঔদ্যোগিক অঞ্চল (Mumbai-Pune Industrial Region) ঃ**

এই অঞ্চল, মুম্বাই থানেৰ পৰা পুনে আৰু ইয়াৰ লগত সংলগ্ন হৈ থকা নাছিক আৰু ছোলাপুৰৰ জিলাবোৰলৈ বিস্তৃত হৈ আছে।

তদুপৰি, কোলাব, আহমদনগৰ ছাটাৰা, ছাংগলি আৰু জলগাঁও জিলাত, ঔদ্যোগিক বিকাশ ক্ষিপ্ৰতৰ হোৱা দেখা যায়। মুম্বাইত, কপাহী বয়ন উদ্যোগ স্থাপন হোৱাৰ লগে লগে এই অঞ্চলতো বিকাশ আৰম্ভ হৈছিল। কপাহৰ পশ্চাদভূমি আৰু সেমেকা জলবায়ুৰ বাবে, মুম্বাইত, কপাহী বয়ন উদ্যোগ স্থাপন কৰাৰ উপযোগী আছিল। ১৮৬৯ চনত ছুৱেজ খালটো মুকলি হৈ মুম্বাই বন্দৰটোৰ বৃদ্ধি ঘটাত অৰিহণা যোগাইছিল। এই বন্দৰৰ জৰিয়তে যন্ত্ৰপাতিবোৰ আমদানি কৰা হৈছিল। উদ্যোগৰ বাবে প্ৰয়োজনীয়তা থকা জলবিদ্যুৎ শক্তি, পশ্চিমঘাট অঞ্চলৰ পৰা আহৰণ কৰা হৈছিল।

কপাহী বয়ন উদ্যোগৰ বিকাশৰ সৈতে বজিতা খুৰাই ৰাসায়নিক উদ্যোগবোৰো বিকশিত হৈ উঠিছিল। মুম্বাই হাই পেট্ৰলিয়াম ক্ষেত্ৰ আৰু পাৰমাণবিক শক্তি কেন্দ্ৰ মুকলি হৈ এই অঞ্চলটোক অতিৰিক্ত অৱদান যোগালে।

তদুপৰি কাৰিকৰী সামগ্ৰী পেট্ৰ'লিয়ামৰ শোধনাগাৰ, পেট্ৰ'ৰাসায়নিক উদ্যোগ, ছামৰা উদ্যোগ, সাংশ্লেষিক আৰু প্লাষ্টিকৰ বস্তু, দৰৱ, সাৰ বৈদ্যুতিক সৰঞ্জাম, জাহাজনিৰ্মাণ, ইলেকট্ৰ'নিকছ, ছফটৱেৰ, যানবাহনৰ সৰঞ্জাম আৰু খাদ্য উদ্যোগৰ বিকাশ ঘটিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য শিল্পকেন্দ্ৰবোৰ হ'ল ক্ৰমে মুম্বাই, কোলাবা, কল্যাণ, থানে, ট্ৰম্বে, পুনে, পিম্প্ৰি, নাছিক, মনমদ, চোলাপুৰ, কোলহাপুৰ, আহমেদনগৰ, ছাটাৰা আৰু ছাংলি।

**হুগলি উদ্যোগ অঞ্চল (Hugli Industrial Region) ঃ**

হুগলি নদীৰ দুয়োপাৰে এই অঞ্চলটো উত্তৰে বাঁসাবেৰিয়াৰ পৰা দক্ষিণে বিৰলানগৰলৈ প্ৰায় ১০০ কিলোমিটাৰ ব্যাপি আছে। পশ্চিমৰ মেদনিপুৰতো উন্নতি সাধন হৈছে। কলকাতা-হাওৰা, এই অঞ্চলৰ প্ৰাণকেন্দ্ৰ। অঞ্চলটোৰ বিকাশত অৱদান যোগোৱা কাৰকবোৰ ক্ৰমে ঐতিহাসিক, ভৌগোলিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বুলিব পাৰি। হুগলি নদীবন্দৰ মুকলি হৈ বিকাশ হোৱাত সহায় কৰিছিল। সেই সময়ত কলকাতা দেশৰ ভিতৰতে আগশাৰীৰ উদ্যোগ কেন্দ্ৰ হৈ উঠিছিল। পিছলৈ ৰে'লপথ আৰু মটৰৰ ৰাস্তাৰে, কলকাতাৰ ভিতৰুৱা অঞ্চলবোৰৰ সৈতে সংলগ্ন হৈছিল। চাহ খেতি আৰু পূৰ্বে কৰা নীলৰ কৃষিক আকৌ নতুনভাৱে সজাই-পৰাই তোলা হ'ল। ইয়াৰ লগতে মৰাপাটৰ উদ্যোগবোৰো ভালদৰে গঢ়ি উঠে। বিহাৰ, উত্তৰপ্ৰদেশৰ পূব অংশ আৰু উৰিষ্যাৰ ঘন বসতিপূৰ্ণ অঞ্চলৰ পৰা অহা শ্ৰমিকসকলৰ বাবে। উদ্যোগৰ যথেষ্ট উন্নতি সাধন হৈছিল। বৃটিছৰ ৰাজত্বকালত (১৭৭৩-১৯১১) বৃটিছসকলে তেতিয়া কলকাতাক ৰাজধানী হিচাপে পাবলৈ উৎসাহিত হৈছিল। ১৮৫৫ চনত ৰিছৰাত প্ৰথম মৰাপাট কলঘৰ স্থাপন হোৱাত উদ্যোগৰ পৃথিৱীত এক নৱযুগৰ সুচনা হৈছিল।

হাওৰা আৰু ভাটাপাৰাত মৰাপাট উদ্যোগবোৰ বেছিকৈ ঘনীভূত হৈ আছে। ১৯৪৭ চনৰ দেশ বিভাজনে ঔদ্যোগিক অঞ্চলটোত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এই অঞ্চলত মৰাপাট, কাগজৰ কল, কাৰিকৰী উদ্যোগ, বয়নশিল্পৰ যন্ত্ৰপাতি বৈদ্যুতিক, ৰাসায়নিক, ঔষধিযুক্ত দ্ৰব্য, সাৰ আদিৰ লগতে কপাহী বয়ন শিল্পও গঢ়ি উঠে। তদুপৰি পেট্ৰ'ৰাসায়নিক উদ্যোগবোৰেও এক বিশেষ ভূমিকা পালন কৰে। এই অঞ্চলত থকা উল্লেখনীয় উদ্যোগৰ ভিতৰত কনননগৰত থকা হিন্দুস্থান মটৰছ লিমিটেড আৰু চিত্তৰঞ্জনৰ ডিজেল ইঞ্জিনৰ কাৰখানাৰ প্ৰাধান্য বেছি। ইয়াৰ বাহিৰেও হালদিয়াত এটা তেল শোধনাগাৰ স্থাপন হোৱাৰ ফলত শোধনাগাৰৰ উপজাত দ্ৰব্যৰ পৰা অন্যান্য বহুতো সৰু-সুৰা শিল্পোদ্যোগৰ বিকাশ ঘটিবলৈ সুবিধাজনক হৈ পৰিল। অন্যান্য উল্লেখযোগ্য শেল্পকেন্দ্ৰ যেনে কলকাতা, হাওৰা, হালদিয়া, শ্ৰীৰামপুৰ, ৰিছৰা, শিৱপুৰ, নাইহাটি, কাকিনাৰা, শ্যামনগৰ, তিতাগড়, চন্দেপুৰ, বাঝবাঝ (Budge Budge) বিৰলানগৰ, বাঁছবেৰিয়া, বেলগুড়িয়া, ত্ৰিবেণী, হুগলি, বেলুক আদি। তথাপি আন অঞ্চলবোৰৰ পৰিপ্ৰেক্ষিতত চাবলৈ হ'লে এই অঞ্চলৰ উদ্যোগ মন্থৰ গতিত বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। আনকি মৰাপাট উদ্যোগটো এতিয়া এক ৰুগ্নপ্ৰায় অৱস্থাপন্ন হৈছে।

**বাংগালোৰ-চেন্নাই উদ্যোগ অঞ্চল (Banglalore-Chennai Industrial Region) ঃ**

স্বাধীনতাৰ পিচৰে পৰা এই ঔদ্যোগিক অঞ্চলৰ বিকাশ দ্ৰুতভাৱে হৈছিল। ১৯৬০ চন মানলৈ উদ্যোগবোৰৰ সীমাবদ্ধতা যদিও বাংগালোৰ, চালেম আৰু মাদুৰাই জিলাত আছিল পিচলৈ ভিল্লুপুৰমক বাদ দি তামিলনাড়ুৰ প্ৰায় আটাইকেইখন জিলালৈ উদ্যোগবোৰ

বিস্তাৰিত হ'বলৈ ধৰে। যদিও কয়লাক্ষেত্ৰৰ পৰা এই অঞ্চল ভালেমান নিলগত অৱস্থিত হৈ আছে, ১৯০২ চনত নিৰ্মিত হোৱা পাইকাৰা জলবিদ্যুৎ প্ৰকল্পই মূল আধাৰ হিচাপে থাকি উদ্যোগবোৰক উন্নতি সভাত সহায়তা কৰে। কপাহৰ খেতিৰ পৰ্য্যাপ্তৰ উন্নত বহু পৰিমাণে বেছি বুলি ক'ব পাৰি, যাৰ বাবে কপাহী বয়ন শিল্পই প্ৰথমাৱস্থাৰ পৰা ভালধৰণে শিপাবলৈ ধৰে। কপাহ কৃষকৰ সৈতে সামঞ্জস্য ৰাখি তাঁতশাল শিল্পবোৰো খৰতকীয়াকৈ বিকশিত হ'বলৈ ধৰে। বাংগালোৰত বহুতো গুৰু কাৰিকৰী উদ্যোগ কেন্দ্ৰীভূত হৈ আছে। উৰাজাহাজ নিৰ্মাণ (HAL), যন্ত্ৰপাতিৰ সঁজুলি, দূৰভাষ যন্ত্ৰ (HTL) আৰু ভাৰত ইলেকট্ৰনিকচ (Bharat Electronics) আদি এনে কিছুমান বিখ্যাত উদ্যোগ। তদুপৰি ইয়াত থকা আন উদ্যোগৰ ভিতৰত বয়ন উদ্যোগ, ৰে'লগাড়ী দবা নিৰ্মাণ ডিজেল ইঞ্জিন নিৰ্মাণ, ৰেডিঅ'শিল্প, লঘু কাৰিকৰী সামগ্ৰীৰ প্ৰস্তুতকৰণ, ৰবৰ শিল্প, দৰৱ প্ৰস্তুতকৰণ, নিদাগ তীখা, এলুমিনিয়াম শিল্প, চেনিকল, চিমেণ্ট কাৰখানা, চিচা কাৰখানা, কাগজৰ কল, ৰাসায়নিক শিল্প, বোলছবি নিৰ্মাণ শিল্প, চিগাৰেট কাৰখানা, জুইশলাৰ বাকচৰ কাৰখানা, ছামৰা উদ্যোগ আদিয়েই প্ৰধান। ইয়াৰ বাহিৰেও নতুনকৈ স্থাপন হোৱা কেইটামান শিল্পৰ মাজত চেন্নাইৰ পেট্ৰ'লিয়াম শোধনাগাৰ, চালেমৰ লো-তীখা প্ৰকল্প আৰু সাৰকাৰখানাৰ কথা উল্লেখ কৰিব পৰা যায়।

**গুজৰাট উদ্যোগ অঞ্চল (Gujarat Industrial Region) ঃ**

গুজৰাট উদ্যোগ ক্ষেত্ৰৰ প্ৰাণকেন্দ্ৰ বুলি ক'লে আহমেদাবাদ আৰু বৰোদাৰ মধ্যবৰ্তী অংশৰ কথাকে বুজায়, যদিও দক্ষিণলৈ থকা ভালছাদ আৰু চুৰাট আৰু পশ্চিমদিশে থকা জামনগৰলৈ এই অঞ্চল বিস্তৃত হৈ আছে। দৰাচলতে ১৮৬০ চনতে স্থাপন হোৱা কপাহী বয়ন উদ্যোগে এই অঞ্চলত উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। মুম্বাইত কপাহী বয়ন শিল্পৰ ভগ্নপ্ৰায় অৱস্থা হ'লত গুজৰাটৰ এই অঞ্চল বিখ্যাত বয়ন শিল্প অঞ্চল হিচাপে পৰিগণিত হ'ল। এই অঞ্চল, কপাহ উৎপাদন হোৱা ঠাইতে অৱস্থিত আৰু কেঁচামাল আৰু বজাৰ দুয়োবিধে সুবিধাজনকভাৱে থকা কাৰণে, অঞ্চলটোৰ প্ৰাধান্য বৃদ্ধি পাইছে। তদুপৰি তৈলক্ষেত্ৰৰ আৱিষ্কাৰৰ ফলস্বৰূপে অংকলেশ্বৰ বৰোদা আৰু জামনগৰত পেট্ৰ'ৰাসায়নিক শিল্প স্থাপনত সহায়ক হয়। কয়ালিত থকা পেট্ৰ'লিয়াম শোধনাগাৰটোৰ বাবে ভালেসংখ্যক পেট্ৰ'ৰাসায়নিক উদ্যোগে কেঁচামালৰ যোগান পাই আছে। বৰ্তমান উদ্যোগিক জগতৰ কিছু পৰিবৰ্তন হৈ বৈচিত্ৰ্যপূৰ্ণ হৈ পৰিছে। বয়ন উদ্যোগ (কপাহী, ছিল্ক আৰু সংশ্লেষিক সূতা) আৰু পেট্ৰ'ৰাসায়নিক উদ্যোগৰ বাদেও ইয়াত অন্যান্য বহুতো উদ্যোগ অৱস্থিত। যেনে ঃ গুৰু আৰু মৌলিক ৰাসায়নিক উদ্যোগ, মটৰ গাড়ী নিৰ্মাণ শিল্প, ট্ৰেক্টৰ, ডিজেল ইঞ্জিন, বয়ন উদ্যোগৰ যন্ত্ৰপাতি, কাৰিকৰী সামগ্ৰী, ঔষধ সম্পৰ্কীয় উদ্যোগ, ৰং, কীটনাশক দ্ৰব্য, চেনিকল, দুগ্ধজাত (ডেউৰী) সামগ্ৰী আৰু খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ ইত্যাদি। অলপতে জামগনৰত এক বৃহত্তৰ পেট্ৰ'লিয়ামৰ শোধনাগাৰ স্থাপন কৰা হয়। এই অঞ্চলত থকা উল্লেখযোগ্য উদ্যোগ কেন্দ্ৰবোৰ হ'ল ক্ৰমে আহমেদাবাদ বৰোদা ভাৰুছ, কয়ালি, আনন্দ, খে'ৰা, সুৰেন্দ্ৰনগৰ, ৰাজকোট, চুৰাট, ভালছাদ আৰু জামনগৰ।

**ছোটনাগপুৰ অঞ্চল (Chotanagpur Region) ঃ**

ঝাৰখণ্ড, উৰিষ্যাৰ উত্তৰ অংশ পশ্চিমবংগৰ পশ্চিমাঞ্চলজুৰি এই উদ্যোগ অঞ্চলটো বিস্তৃত হৈ আছে আৰু গুৰু ধাতৱিক শিল্প উদ্যোগৰ বাবে জনাজাত। দামোদৰ উপত্যকাৰ কয়লা আৰু ধাতৱিক আৰু অধাতৱিক খনিজ পদাৰ্থ, ঝাৰখণ্ড আৰু উৰিষ্যাৰ উত্তৰ অঞ্চলত আৱিষ্কাৰ হোৱাৰ পিচতে এই উদ্যোগ অঞ্চলত বিকাশ সম্ভৱপৰ হৈ উঠে। কয়লা, আকৰিক লো আৰু অন্যান্য খনিজ সম্পদৰ সামীপ্যই এই অঞ্চলত গুৰু উদ্যোগ স্থাপন হোৱাত সুবিধা কৰি দিয়ে। ছয়টা একত্ৰিত লো আৰু তীখা উদ্যোগ, ক্ৰমে জামছেদপুৰ, বাৰ্ণপুৰ, কুলটি, দুৰ্গাপুৰ, বোকাৰো আৰু ৰুৰকেল্লা এইক্ষেত্ৰত অৱস্থিত।

দামোদৰ উপত্যকাৰ তাপ আৰু জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণৰ দ্বাৰা শক্তিৰ বাবে থকা প্ৰয়োজনীয়তা পূৰ হৈছে। তদুপৰি, চাৰিওফালে থকা ঘনবসতিপূৰ্ণ অঞ্চলবোৰো সস্তীয়া বনুৱাৰ যোগান ধৰাৰ লগতে হুগলি অঞ্চলটোৱে উদ্যোগজাত সামগ্ৰীৰ বাবে এখন বহল বজাৰৰ সুবিধা প্ৰদান কৰিছে। এই অঞ্চলত থকা আন কিছুমান উল্লেখযোগ্য উদ্যোগ হ'ল— গুৰু কাৰিকৰী শিল্প, যান্ত্ৰিক সঁজুলি

নিৰ্মাণ, সাৰ কাৰখানা, চিমেণ্ট উদ্যোগ, কাগজৰ কল, যন্ত্ৰচালিত আৰু গুৰু বৈদ্যুতিক সৰঞ্জাম উদ্যোগ ইত্যাদি। শিল্প উদ্যোগ থকা বিখ্যাত কেন্দ্ৰবোৰ হ'ল ক্ৰমে ৰাচি, ধানবাদ, ছাইবাছা, সিন্দ্ৰী, হাজাৰিবাগ, জামছেদপুৰ, বোকাৰো, ৰুৰকেল্লা, দুৰ্গাপুৰ, আছানচোল আৰু ডালমিয়ানগৰ।

**বিশাখাপট্টনম-গুণ্টুৰ অঞ্চল (Vishakhapatnam Guntur Region) ঃ**

এই শিল্পোদ্যোগ অঞ্চল, বিশাখাপট্টনম জিলাৰ পৰা দক্ষিণলৈ কুৰনুল আৰু একাশম জিলালৈকে বিস্তৃত হৈ আছে। বিশাখাপট্টনম আৰু মছলিপট্টনম বন্দৰৰ ওপৰত আধাৰিত হৈ বিকাশ সম্পন্ন হোৱা এই অঞ্চলটোৰ পশ্চাদভূমিবোৰ, কৃষিৰ ক্ষেত্ৰত উন্নতি হোৱাৰ লগতে খনিজ সম্পদতো চহকী। এইসকলে গোদাবৰী অৱবাহিকাত অৱস্থিত হৈ থকা কলয়াক্ষেত্ৰৰ পৰা শক্তিৰ যোগান লাভ কৰে। ১৯৪১ চনত বিশাখাপট্টনমত জাহাজ নিৰ্মাণ উদ্যোগৰ প্ৰাৰম্ভণি হৈছিল। আমদানিকৃত পেট্ৰ'লিয়ামৰ আধাৰত, গঢ়ি উঠা পেট্ৰ'লিয়ামৰ শোধনাগাৰে বালেমান পেট্ৰ'ৰাসায়নিক উদ্যোগ স্থাপন আৰু শ্ৰীবৃদ্ধি হোৱাত, অৰিহণা দিয়ে। এই অঞ্চলৰ মুখ্য উদ্যোগ কিছুমান এনেধৰণৰ চেনি উদ্যোগ, বয়ন, মৰাপাট উদ্যোগ, কাগজৰ কল, সাৰ কাৰখানা, চিমেণ্ট উদ্যোগ, এলুমিনিয়াম আৰু লঘু কাৰিকৰী উদ্যোগ। গুণ্টুৰ জিলাত, এটা সীহ-দস্তা গলন প্ৰক্ৰিয়া থকা কাৰখানা, কাৰ্যক্ষম হৈ আছে। বিশাখাপট্টনমত থকা লো আৰু তীখা প্ৰকল্পই, বাইলাডিলাৰ পৰা অনা আকৰিক লো ব্যৱহাৰ কৰে। এই অঞ্চলৰ উল্লেখযোগ্য শিল্পকেন্দ্ৰবোৰ হ'ল ক্ৰমে, বিশাখাপট্টনম, বিজয়ৱাড়া, বিজয়নগৰ, ৰাজামুণ্ডৰি, গুণ্টুৰ, ইলুৰু আৰু কুৰ্নুল্।

**গুৰগাঁও-দিল্লী-মিৰুট অঞ্চল (Gurgaon-Delhi-Meerut Region) ঃ**

এই অঞ্চলত অৱস্থিত হৈ থকা উদ্যোগবোৰৰ আজি কিছু বছৰৰ ভিতৰত বৰ খৰতকীয়া বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। খনিজ পদাৰ্থ আৰু শক্তি সম্পদৰ উৎসসমূহৰ পৰা এই অঞ্চল বহু দূৰৈত অৱস্থিত আৰু সেয়েহে ইয়াত থকা উদ্যোগবোৰৰ অধিকাংশই লঘু উদ্যোগ আৰু বজাৰকেন্দ্ৰিক। এই অঞ্চলৰ মুখ্য উদ্যোগ কিছুমান হ'ল ইলেকট্ৰনিকছৰ উদ্যোগ, লঘু কাৰিকৰী উদ্যোগ আৰু বৈদ্যুতিক সামগ্ৰী প্ৰস্তুতকৰণ ইত্যাদি। ইয়াৰ বাদেও কঁপাহীবস্ত্ৰ, উনীবস্ত্ৰ আৰু সাংশ্লেষিক সূতাৰ বস্ত্ৰ, হ'ছিয়াৰি, চেনি, চিমেণ্ট, যান্ত্ৰিক সঁজুলিৰ নিৰ্মাণ, ট্ৰেক্টৰ, চাইকেল, কৃষিকাৰ্যত ব্যৱহৃত সৰঞ্জাম, ৰাসায়নিক আৰু বনস্পতি উদ্যোগবোৰো দ্ৰুত হাৰত বিকশিত হৈছে। নৱতম ছফ্‌টৱেৰৰ উদ্যোগ আদিও থিতাপি লৈছে। এই অঞ্চলৰ দক্ষিণলৈ থকা আগ্ৰা, মথুৰা উদ্যোগ, ক্ষেত্ৰ, গ্লাছ আৰু ছামৰাৰ সামগ্ৰী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিশেষত্ব অৰ্জন কৰিছে। মথুৰা, খাৰুৱা তেলৰ শোধনাগাৰৰ সৈতে থকা, এখন পেট্ৰ'ৰাসায়নিক উদ্যোগিক চহৰ। উদ্যোগ কেন্দ্ৰ হিচাপে বিশেষত্ব থকা উল্লেখনীয় ঠাইবোৰ হ'ল গুৰগাঁও, দিল্লী, ছাহদৰা, ফৰিদাবাদ, মিৰুট, মডিনগৰ, গাৰ্জিয়াবাদ, আম্বালা, আগ্ৰা আৰু মথুৰা।

**কোল্লাম-তিৰুৱনন্তপুৰম অঞ্চল (Kollam-Tiruvanantapuram Region) ঃ**

এই উদ্যোগ ক্ষেত্ৰ তিৰুৱনন্তপুৰম, কোল্লাম, অলৱাই, এৰনাকুলম আৰু আলাপ্পুঝা জিলা সামৰি বিস্তৃত হৈ আছে। ৰোপণ কৃষি আৰু জলশক্তি এই অঞ্চলৰ উদ্যোগৰ মূল আধাৰস্বৰূপ। দেশৰ খনিজ পদাৰ্থ থকা অঞ্চলৰ পৰা বহু দূৰৈত অৱস্থিত হৈ থকা বাবে কৃষিজাত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণ আৰু বজাৰকেন্দ্ৰিক লঘু উদ্যোগবোৰে ইয়াত আধিপত্য বিস্তাৰ কৰি আছে। এইবোৰৰ ভিতৰত কপাহী বয়ন উদ্যোগ, চেনি উদ্যোগ, ৰবৰ, দিয়াচলাই বাকত, গ্লাছ, ৰাসায়নিক সাৰ আৰু মৎস্যভিত্তিক উদ্যোগবোৰ বিখ্যাত। তদুপৰি খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ, কাগজৰ কল, নাৰিকলৰ ৰছীৰ সামগ্ৰী, এলুমিনিয়াম আৰু চিমেণ্ট উদ্যোগবোৰেও তাৎপৰ্যতা লাভ কৰি আছে। ক'ছিত (Kochchi) স্থাপিত হোৱা খাৰুৱা তেল শোধনাগাৰটোৱে নতুন উদ্যোগৰ ভেটি গঢ়াত অৰিহণা যোগাইছে। এই অঞ্চলৰ উল্লেখযোগ্য উদ্যোগকেন্দ্ৰবোৰ ক্ৰমে কোল্লাম, তিৰুৱনন্তপুৰম, এলুভা, কচ্ছি, আলাপ্পুঝা আৰু পুনালুৰ।

## অনুশীলনী

**1. নিম্নলিখিত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি লোৱা।**

(i) কোনটো কাৰকে উদ্যোগৰ স্থান নিৰ্ণয় কৰে?

(a) বজাৰ (c) জনসংখ্যাৰ ঘনত্ব

(b) মূলধন (d) শক্তি

(ii) ভাৰতত স্থাপিত হোৱা আটাইতকৈ পুৰণি লো আৰু তীখা কোম্পানীটো ঃ

(a) ভাৰতীয় লো আৰু তীখা কোম্পানী।

(b) টাটা লো আৰু তীখা কোম্পানী।

(c) বিশ্বেশ্বৰায় লো আৰু তীখা কাৰখানা।

(d) মহীশূৰ লো আৰু তীখা কাৰখানা।

(iii) মুম্বাইত প্ৰথম, আধুনিক কপাহী কাপোৰৰ কলঘৰ প্ৰতিষ্ঠিত হোৱাৰ কাৰণ হ'ল ঃ

(a) মুম্বাই এটা বন্দৰ।

(b) কপাহ উৎপাদন হোৱা অঞ্চলৰ ওচৰত অৱস্থিত।

(c) মুম্বাই বিত্ত কেন্দ্ৰ আছিল।

(d) উপৰোক্ত আটাইকেউটা কাৰণ।

(iv) হুগলি উদ্যোগ অঞ্চলৰ প্ৰাণকেন্দ্ৰটো হ'ল

(a) কলকাতা-হাওৰা (c) কলকাতা-মেদিনীপুৰ

(b) কলাকাত-ৰিছৰা (d) কলকাতা-কন্নগৰ

(v) নিম্নলিখিত ঠাইৰ মাজৰ কোনখন দ্বিতীয় প্ৰধান চেনি উৎপাদক ৰাজ্য?

(a) মহাৰাষ্ট্ৰ (c) পাঞ্জাব

(b) উত্তৰপ্ৰদেশ (d) তামিলনাডু

**2. ৩০টামান শব্দেৰে নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখা।**

(i) কোনো এখন দেশৰ বিকাশৰ ক্ষেত্ৰত লো আৰু তীখা উদ্যোগক মৌলিক বুলি কিয় ভবা হয়?

(ii) কপাহী বয়ন শিল্পৰ দুটা খণ্ডৰ নাম লিখা। এই খণ্ড দুটাৰ পাৰ্থক্যবোৰ কি কি?

(iii) চেনি উদ্যোগক কিয় ঋতুভিত্তিক উদ্যোগ বুলি কোৱা হয়?

(iv) পেট্ৰ'ৰাসায়নিক উদ্যোগৰ বাবে কি কেঁচা সামগ্ৰীক মৌলিক বুলি ভবা হয়? এই উদ্যোগৰ উৎপাদিত সামগ্ৰী কিছুমাৰ নাম লিখা।

(v) ভাৰতবৰ্ষত, তথ্যপ্ৰযুক্তি (IT) বিপ্লৱৰ দ্বাৰা কি মুখ্য প্ৰভাৱ পৰিছে?

**3. ১৫০টামান শব্দেৰে নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়া।**

(i) স্বদেশী আন্দোলনে কেনেদৰে কপাহী বয়ন উদ্যোগক মুখ্য প্ৰেৰণা যোগালে লিখা?

(ii) সংস্কাৰমুক্তায়ন, নিজস্বত্বায়ন আৰু বিশ্বায়ন বুলিলে কি বুজা? ভাৰতৰ উদ্যোগ বিকাশৰ ক্ষেত্ৰত এইবিলাকে কেনেদৰে সহযোগিতা ৰাখিছে বৰ্ণনা কৰা।

❑❑❑